# ইব্ৰী বিলাকৰ প্ৰতি পত্ৰ

### ঈশ্বৰে তেওঁৰ পুত্ৰ দ্বাৰাই কথা কৈছিল

১
১অতীততে ঈশ্বৰে ভাৱবাদী সকলৰ দ্বাৰাই আমাৰ
লোকসকলক কথা কৈছিল। তেওঁ বহুবাৰ আৰু বিভিন্ন
ধৰণে তেওঁলোকৰ সৈতে কথা পাতিছিল। ২কিন্তু এতিয়া
এই শেষৰ দিনত, ঈশ্বৰে তেওঁৰ পুত্ৰৰ দ্বাৰাই আমাৰ সৈতে
আকৌ কথা কৈছে। তেওঁ গোটেই সৃষ্টি খন তেওঁৰ পুত্ৰৰ
দ্বাৰাই নিৰ্মাণ কৰিলে। আৰু তেওঁৰ পুত্ৰকে তেওঁ সকলোৰে
অধিকাৰী হিচাপে মনোনীত কৰিলে। ৩একমাত্ৰ পুত্ৰই ঈশ্বৰৰ
গৌৰৱ প্ৰকাশ কৰিলে।তেওঁ ঈশ্বৰৰ প্ৰকৃতিৰ সঠিক প্ৰতিবিম্ব,
আৰু তেওঁ সকলো বিলাক একে লগে তেওঁৰ বাক্যৰ দ্বাৰাই
সম্পূৰ্ণকৈ ধৰি ৰাখিছে। সেই পুত্ৰই মানুহক সকলো পাপৰ
পৰা মুক্তি পোৱাৰ ব্যৱস্হা কৰি স্বৰ্গৰ মহামহিম ঈশ্বৰৰ
সোঁহাতে বহিল। ৪এইদৰে তেওঁ স্বৰ্গদূতবিলাকতকৈ ইমান
মহান হল যে তেওঁলোকৰ নামতকৈও শ্ৰেষ্ঠ নাম তেওঁক
দিয়া হল যি তেওঁ উত্তৰাধিকাৰ স্বৰূপে পালে। ৫কিয়নো
ঈশ্বৰে স্বৰ্গদূত বিলাকৰ মাজৰ কাকো এই বুলি কোৱা নাছিল,

"তুমি মোৰ পুত্ৰ;
আজি মই তোমাৰ পিতৃ হৈছো।" *গীতমালা ২:৭*

আকৌ ঈশ্বৰে কেতিয়াও স্বৰ্গদূতৰ বিষয়ে এই বুলি কোৱা
নাই,

"মই তেওঁৰ পিতৃ হম
আৰু তেওঁ মোৰ পুত্ৰ হব।" *২ চামূৱেল ৭:১৪*

৬আকৌ যেতিয়া ঈশ্বৰে তেওঁৰ প্ৰথম আৰু মহান পুত্ৰক
জগতলৈ পঠিয়ালে তেতিয়া কলে,

"ঈশ্বৰৰ সকলো স্বৰ্গদূতে তেওঁৰ উপাসনা কৰক।"
*দ্বিতীয় বিবৰণ ৩২:৪৩*

৭স্বৰ্গদূত বিষয়ে ঈশ্বৰে এই দৰে কৈছে:

"তেওঁ স্বৰ্গদূত সমূহ বতাহলৈ পৰিবৰ্তিত কৰিলে
আৰু তেওঁৰ দাসক বিলাকক জুইৰ শিখাৰ নিচিনা
কৰিলে।" *গীতমালা ১০৪:৪*

৮কিন্তু তেওঁৰ পুত্ৰ বিষয়ে এইদৰে কৈছে:

"হে ঈশ্বৰে! তোমাৰ সিংহাসন সদাকালস্থায়ী হব;
তুমি তোমাৰ ক্ষমতা ন্যায় বিচাৰৰ বাবে ব্যৱহাৰ
কৰিবা।
৯ যি ন্যায় তুমি তাক প্ৰেম কৰা আৰু অন্যায় ঘৃণা কৰা।
এই কাৰণে তোমাৰ ঈশ্বৰে তোমাক মনোনীত
কৰিলে;
সেয়েহে তোমাৰ সঙ্গীবোৰতকৈ তোমাক অধিক
মৰ্য্যদা আৰু আনন্দ ৰূপ তেলেৰে অভিষিক্ত
কৰিলে।" *গীতমালা ৪৫:৬–৭*

১০ঈশ্বৰে এইবুলিও কৈছে:

"হে প্ৰভু, যেতিয়া সৃ।টিৰ উ-পতি হৈছিল, তুমি
পৃথিৱীৰ মূল স্হাপন কৰিলা, আৰু এই সকলো
আকাশ-মণ্ডল তোমাৰ হাতৰ কৰ্ম;
১১ এই সকলো বিলাক লুপ্ত পাব; কিন্তু তুমি হলে থাকিবা।
তেওঁবিলাক সকলো পুৰণি কাপোৰৰ নিচিনা যই
পৰি যাব।
১২ তুমি সেই বিলাক কাপোৰৰ দৰে টোপোলা কৰি থবা।
আৰু কাপোৰ নিচিনা সেইবিলাক পৰিবৰ্তিত হব।
কিন্তু তুমি কেতিয়াও সলনি নহবা,
আৰু তোমাৰ বছৰবোৰ কেতিয়াও শেষ নহব।"
*গীতমালা ১০২:২৫–২৭*

১৩আৰু ঈশ্বৰে কোনো স্বৰ্গদূতক এই বুলি কোৱা নাই:

"মই তোমাৰ শত্ৰুবোৰক তোমাৰ শক্তিৰ অধীন
নকৰো মানে,
তুমি মোৰ সোঁহাতে বহা।" *গীতমালা ১১০:১*

১৪.কিয়নো সকলো স্বৰ্গদূত বিলাক উদ্ধাৰপোৱা বিলাকৰ
সেৱা শুশ্ৰূষা কৰিবৰ বাবে পঠোৱা সহায়ক আত্মা নহয়
জানো?

### সাৱধানে থাকিবলৈ চেতনা

২
১গতিকে আমাক যি শিকোৱা হৈছিল তাক অনুকৰণ
কৰিব বাবে আমি আৰু আধিক সাৱধান হোৱা উচিত।
যাতে আমাক সেই সত্যৰ পৰা টানি আঁতৰাই আনিব
নোৱাৰে। ২কিয়নো স্বৰ্গদূতবিলাকৰ দ্বাৰা দিয়া হোৱা শিক্ষা
প্ৰভাৱশালী আছিল আৰু ইয়াক উলঙ্ঘন আৰু অৱজ্ঞা কৰা
প্ৰত্যেক অপৰাধৰ উচিত প্ৰতিফল হল, যদি আমি এনে
মহান উদ্ধাৰক অৱজ্ঞা কৰোঁহক ৩তেন্তে আমি কেনেকৈ
সাৰিব পাৰিম। এই উদ্ধাৰ প্ৰথমে প্ৰভুৰ দ্বাৰা ঘোষণা
কৰা হৈছিল। আৰু পাছত যি বিলাকে ইয়াক শুনিলে,
তেওঁলোকে আমালৈ তাক দৃঢ় কৰিলে। ৪ঈশ্বৰেও আচৰিত
চিন, অদ্ভুত লক্ষণ আৰু ।নেক ধৰমৰ পৰাক্ৰম কাৰ্য্য আৰু

তেওঁৰ ইচ্ছাৰ দ্বাৰা বিলাই দিয়া পবিত্ৰ আত্মাৰ বৰৰ দ্বাৰাই ইয়াক সপ্ৰমান কৰিলে। **উদ্ধাৰকৰ্তা খ্ৰীষ্টৰ মানৱ ৰূপ ধাৰণ**

৫আমি আলোচনা কৰি থকা, আহিব লগা ভাবী ৰাজ্যক, তেওঁ স্বৰ্গদূতবিলাকৰ অধীন কৰা নাই ৬কিন্তু শাস্ত্ৰৰ কোনো ঠাইত কোনোৱে সাক্ষ্য দিছে:

"মানুহ নো কি হয়, যাক নেকি তুমি সোঁৱৰম কৰা?
মানুহৰ পুত্ৰই বা কোন যাৰ বাবে তুমি ইমান চিন্তিত হোৱা?
৭ তুমি তেওঁক অলপ সময়ৰ কাৰণে স্বৰ্গদূত বিলাকতকৈ তেওঁক সৰু কৰিলা;
তুমি তেওঁক গৌৰৱ আৰু সন্মানৰ কিৰিটি পিন্ধালা।
৮ তুমি সকলো তেওঁৰ অধীন কৰিলা।" *গীতমালা ৮:৪–৬*

যদি ঈশ্বৰে সকলো তেওঁৰ অধীন কৰিল, তেন্তে এনে কোনো বিষয় নাই যাক তেওঁ শাসন কৰা নাই। কিন্তু আমি এতিয়াও তেওঁক সকলো বিলাকৰ ওপৰত শাসন কৰা দেখা নাই। ৯অলপ সময়ৰ কাৰণে যীচুক স্বৰ্গদূত বিলাকতকৈ সৰু কৰিলে, কিন্তু এতিয়া আমি তেওঁক গৌৰৱ আৰু সন্মানৰ কিৰীটি পিন্ধি থকা দেখিছো কাৰণ তেওঁ যাতনা আৰু মৃত্যু ভোগ কৰিলে। ঈশ্বৰৰ অনুগ্ৰহৰ কাৰণে, যীচু সকলো মানুহৰ বাবে মৃত্যু বৰণ কৰিলে।

১০কেৱল ঈশ্বৰেই সেই জন যাৰ দ্বাৰাই সকলোবোৰ সৃষ্টি হৈছে আৰু তেওঁৰ গৌৰৱ বাবে সকলো বোৰ আছে, সেয়ে অনেকে তেওঁৰ গৌৰৱৰ সহভাগী হবৰ বাবে তেওঁৰ সন্তান হব বিচাৰে। গতিকে তেওঁ যি কৰিব লাগে তাক কৰিলে। তেওঁ সেই জনক নিখুঁতকৈ বনালে যি জনে মানুহ বিলাকক পৰিত্ৰাণলৈ বাট দেখুৱাই লৈ যাব। তেওঁ যীচুক দূখ ভোগ কৰোৱাৰ দ্বাৰাই নিখুঁত উদ্ধাৰকৰ্তা বনালে।

১১সেইজনেই যীচু যি জনে লোকবিলাকক পবিত্ৰ কৰে, আৰু যিবিলাকক পবিত্ৰ কৰা হয়, তেওঁলোক সকলোৱে একে পৰিয়ালৰ। সেই কাৰণেই তেওঁ তেওঁলোকক তেওঁৰ ভাই আৰু ভনী বুলি মাতিবলৈ লাজ নাপায়। ১২তেওঁ কৈছে,

" মই মোৰ ভাই-ভনীবিলাকৰ ওচৰত তোমাৰ নাম প্ৰচাৰ কৰিম,
লোকবিলাকৰ আগত মই তোমাৰ প্ৰশংসা গান কৰিম।" *গীতমালা ২২:২২*

১৩আকৌ,

"মই তেওঁৰ ওপৰত বিশ্বাস কৰিম" *যিচয়াই ৮:১৭*

আকৌ তেওঁ কৈছে;

"মই ইয়াত আছোঁ, আৰু মোৰে সৈতে সেই সন্তান বিলাক, যিবিলাকক ঈশ্বৰে মোক দিছে।" *যিচয়াই ৮:১৮*

১৪সেই সন্তান বিলাক তেজ মংহৰ মানুহ হয়। গতিকে যীচু নিজেও তেওঁলোকৰ দৰে হল আৰু তেওঁবিলাকৰ দৰে সেই একেই অভিজ্ঞতাৰ অংশীদাৰ হল। যীচুৱে এইদৰে কৰিলে যাতে, মৃত্যুৰ দ্বাৰাই মৃত্যুৰ ওপৰত যি জনৰ আধিপত্যতা আছিল সেই চয়তান ধংস কৰিব পাৰে। ১৫যীচু সেই মানুহ বিলাকৰ দৰে হল আৰু মৃত্যুক সাৱতি ললে যাতে মৃত্যুৰ ভয়ে যি বিলাকক অধীন কৰি ৰাখিছিল তেওঁ লোকক মুক্ত কৰিব পাৰে। ১৬ই স্পষ্ট যে, যীচুৱে স্বৰ্গদূত বিলাকক সহায় কৰা নাছিল। তেওঁ সেই লোকবিলাকক সহায় কৰিছিল যি আব্ৰাহামৰ বংশৰ পৰা আহিছিল। ১৭আৰু এই বাবে, যীচুক সকলো প্ৰকাৰে আমাৰ ভাই আৰু ভনী সকলৰ দৰে বনাব লগা হল। তেওঁ মানুহ বিলাকৰ দৰে হল যাতে ঈশ্বৰৰ সেৱাত তেওঁ দয়ালু আৰু বিশ্বাসী মহা পুৰোহিত হব পাৰে। আৰু লোকবিলাকৰ পাপ ক্ষমা কৰিবৰ বাবে বলিদান দিব পাৰে। ১৮আৰু এতিয়া যি বিলাক লোক পৰীক্ষিত হৈছে তেওঁ তেওঁবিলাকক সহায় কৰিব পাৰিব। তেওঁ সহায় কৰিব পাৰিব কিয়নো তেওঁ নিজেই পৰীক্ষিত হল আৰু দু:খভোগ কৰিছিলে।

## যীচু মোচিতকৈ মহান

৩ ১স্বৰ্গীয় আমন্ত্ৰণৰ ভাগী পবিত্ৰ ভাইসকল, নিজৰ মনোযোগ যীচুৰ ওপৰত ৰাখা, যিজনা ঈশ্বৰৰ প্ৰতিনিধি আৰু আমি ঘোষণা কৰা বিশ্বাস অনুসৰি মহাপুৰোহিত হয়। ২ঈশ্বৰে তেওঁক আমাৰ মহা পুৰোহীত কৰিলে, তেওঁ মোচিৰ দৰেই ঈশ্বৰৰ প্ৰতি বিশ্বাসী আছিল। ঈশ্বৰে তেওঁৰ গৃহৰ বাবে যি কৰাটো বিচাৰিছিল তেওঁ সেই সকলো বোৰ কৰিলে। ৩যেতিয়া কোনোৱে কোনো গৃহ সাজে, তেতিয়া মানুহ বিলাকে গৃহটোতকৈ গৃহ সজা জনক অধিক মৰ্যাদা দিয়ে। যীচুৰ ক্ষেত্ৰটো ঠিক একেই। মোচিত কৈ তেওঁ অধিক সন্মান পাব লাগে। ৪প্ৰত্যেক গৃহ কোনো নহয় কোনোৱে সাজে, কিন্তু ঈশ্বৰে সকলো বোৰ সাজে। ৫মোচি ঈশ্বৰৰ গোটেই গৃহৰ বিশ্বাসী সেৱক আছিল। ঈশ্বৰে ভবিষ্যতে যি কৰ তাক লোকসমূহৰ ওচৰত মোচিয়ে কলে। ৬কিন্তু খ্ৰীষ্টই পুত্ৰ হিচাপে বিশ্বাসেৰে ঈশ্বৰৰ গৃহ পৰিচালনা কৰিছিল। আৰু যদি আমি নিজৰ সাহস আৰু সেই আশাৰ ওপৰত বিশ্বাস ৰাখো তেন্তে আমিয়েই তেওঁৰ সেই ঘৰ।

## অবিশ্বাসৰ বিৰুদ্ধে সাৱধান কৰোৱা

৭সেয়ে পবিত্ৰ আত্মাই যেনেকৈ কৈছে:

"আজি যদি, তোমালোকে ঈশ্বৰৰ মাত শুনা,
৮ আগৰ দৰে হৃদয় কঠোৰ নকৰিবা,
যেতিয়া তোমালোক ঈশ্বৰৰ বিৰুদ্ধে গৈছিলা;

সেইদিনা খন তোমালোকে অৰন্যত ঈশ্বৰৰ
পৰীক্ষা কৰিছিলা।
৯ সেই চল্লিশ বছৰ অৰণ্যত মই কি কৰিছিলো
তোমালোকৰ লোকবিলাকে দেখিছিল,
তথাপি তেওঁলোকে মোক আৰু মোৰ ধৈৰ্য্যক
পৰীক্ষা কৰিলে।
১০ সেয়ে মই তেওঁলোকৰ ওপৰত ক্ৰোধ কৰিছিলো,
মই কৈছিলো ‘এওঁবিলাকৰ হৃদয় সদায় ভ্ৰান্ত আৰু
এওঁবিলাকে মোৰ পথ নাজানে।
তেওঁলোকে কেতিয়াও মোৰ বাট বুজি নাপাই।’
১১ সেয়ে মোৰ ক্ৰোধ উঠিছিল আৰু এই শপত কৰিছিলো:
‘তেওঁলোক কেতিয়াও মোৰ জিৰণিৰ ঠাইত
প্ৰৱেশ কৰিব নোৱাৰিব।’” *গীতমালা ৯৫:৭–১১*

১২হে ভাই সকল, তোমালোক সাৱধানে থাকিবা, যাতে
তোমালোকৰ মাজত কাৰোৰ অনিষ্টকাৰী আৰু অবিশ্বাস
হৃদয় নাথাকে যিয়ে তোমালোকক জীৱন্ত ঈশ্বৰৰ অনুসৰণ
কৰাৰ পৰা আতৰাই ৰাখে। ১৩কিন্তু প্ৰতি দিনে পৰস্পৰে
পৰস্পৰক উৎসাহিত কৰা, যেতিয়া লৈকে তোমালোকে
তাক “আজিৰ দিন” বুলি মাতা। পৰস্পৰে পৰস্পৰক
সহায় কৰা যাতে তোমালোক কোনোৱে পাপৰ দ্বাৰা ভুল
নোযোৱা। ১৪যদি আৰম্ভনিতে আমাৰ যি বিশ্বাস আছিল তাক
শেষলৈকে আমি ধৰি থাকো আমি খ্ৰীষ্টৰ যি আছে তাৰ
সহভাগী হোৱাৰ সৌভাগ্য আমাৰ হব। ১৫সেই বাবে পবিত্ৰ
আত্মাই কৈছে:

“আজি যদি, তোমালোকে ঈশ্বৰৰ মাত শুনা,
আগৰ দৰে হৃদয় কঠোৰ নকৰিবা,
যেতিয়া তোমালোক ঈশ্বৰৰ বিৰুদ্ধে গৈছিলা।”
*গীতমালা ৯৫:৭–৮*

১৬সেই বিলাক কোন আছিল যিবিলাকে ঈশ্বৰৰ মাত
শুনিলে আৰু তেওঁৰ বিৰুদ্ধে গল? মোচিয়ে যিবিলাকক
মিচৰৰ পৰা উলিয়াই লৈ আহিছিল সেইসকল নহয়নে?
১৭আৰু কাৰ ওপৰত ঈশ্বৰৰ চল্লিশ বছৰ ধৰি খং আছিল?
সেই লোক যি সকলে পাপ কৰিছিল। আৰু তেওঁলোকৰ
মৃত দেহ সমূহ অৰণ্য পেলাই থৈ আহা হৈছিল। ১৮আৰু
কোন বিলাক লোকৰ বিৰুদ্ধে ঈশ্বৰে প্ৰতিজ্ঞা কৰিছিল যে,
“এওঁলোক মোৰ জিৰণিৰ ঠাইত প্ৰৱেশ কৰিব নোৱাৰে?”
যিবিলাক অবাধ্য হৈছিল তেওঁলোকক কৈছিল। ১৯গতিকে
আমি দেখিলো যে ঈশ্বৰৰ জিৰণিৰ ঠাইত তেওঁবিলাকক
প্ৰৱেশ কৰিবলৈ দিয়া নহল, কিয়নো তেওঁ বিলাকে বিশ্বাস
নকৰিলে।

**4** ১আৰু ঈশ্বৰে সেই লোকসমূহক যি প্ৰতিজ্ঞা কৰিছিল
সেয়া এতিয়াও আমাৰ বাবে আছে। সেই প্ৰতিজ্ঞা
এই যে, আমি ঈশ্বৰৰ জিৰণত প্ৰৱেশ কৰিব পাৰিম। সেয়ে
আমি অতি সাৱধান হোৱাৰ প্ৰয়োজন, যাতে তোমালোকৰ
মাজৰ কোনোৱে সেই প্ৰতিজ্ঞাৰ ভাগ নেহেৰোৱা। ২কিয়নো
আমাকো তেওঁলোকৰ দৰে শুভবাৰ্তাৰ উপদেশ দিয়া
হৈছিল। কিন্তু যি শুভবাৰ্তা তেওঁলোকে শুনিছিল, সেয়ে
তেওঁলোকৰ বাবে ব্যৰ্থ হৈছিল। কিয়নো তেওঁলোকে
যেতিয়া তাক শুনিবলৈ পাইছিল তেতিয়া তেওঁলোকে
বিশ্বাসেৰে সৈতে তাক গ্ৰহণ নকৰিলে। ৩কেৱল আমি
যিবিলাকে বিশ্বাস কৰিলো, সেই সকলেহে ঈশ্বৰৰ জিৰণিৰ
ঠাইত প্ৰৱেশ কৰিব সক্ষম হম। ঈশ্বৰে যেনেকৈ কৈছিল,

“মই ক্ৰোধত এই শপত ললো:
‘এওঁলোক কেতিয়াও মোৰ জিৰণিৰ ঠাইত প্ৰৱেশ
কৰিবলৈ নোৱাৰিব।’” *গীতমালা ৯৫:১১*

জগত স্থাপনৰ কালত ঈশ্বৰৰ সকলো কাৰ্য্য শেষ হৈছিল।
৪হয়, শাস্ত্ৰৰ কোনো অংশত ঈশ্বৰে সপ্তাহৰ সপ্তাম দিনৰ
কথা কৈছিল। তেওঁ কৈছিল, “সৃষ্টিৰ সকলো কৰ্ম্ম শেষ
কৰি সপ্তম দিনা ঈশ্বৰে জিৰণি ললে।”[a] ৫আকৌ শাস্ত্ৰৰ
আন এক অংশত ঈশ্বৰে কৈছে: “মোৰ জিৰণিৰ ঠাইত
তেওঁবিলাকে কেতিয়াও প্ৰৱেশ কৰিব নোৱাৰিব।”
৬গতিকে এতিয়াও ঈশ্বৰৰ জিৰণিৰ ঠাইৰ আনন্দ
উপভোগ কৰিবলৈ কোনো কোনোৰ সুবিধা আছে। কিন্তু
যি বিলাকে প্ৰথমে শুনিছিল তেওঁ বিলাকে প্ৰৱেশ নকৰিলে,
কিয়নো তেওঁবিলাকে তাক পালন নকৰিলে। ৭গতিকে
ঈশ্বৰে আৰু এটা বিশেষ দিন থিৰ কৰিলে। সেই দিনটোক
“আজি” বোলা হল। তেওঁ সেই দিনৰ কথা দায়ুদৰ দ্বাৰাই
বহু পিছত কোৱাইছিল যি বাক্যৰ অংশটি আমি আগতে
ব্যৱহাৰ কৰিছো:

“আজি যদি তোমালোকে ঈশ্বৰৰ মাত শুনা,
তেন্তে তোমালোকৰ হৃদয় কঠোৰ নকৰিবা।”
*গীতমালা ৯৫:৭–৮*

৮আমি কিয়নো যদি যিহুচুৱাই লোকবিলাকক বিশ্ৰামলৈ
নিয়াহেঁতেন তেন্তে ঈশ্বৰে পাছত অনয দিনৰ বিষয়ে
নকলেহেঁতেন। ৯ইয়ে ইয়াকে দেখুৱাই যে ঈশ্বৰৰ
লোকবিলাকৰ বাবে যি সপ্তম দিনৰ বিশ্ৰাম সি এতিয়াও
আহিবলৈ আছে। ১০ঈশ্বৰে তেওঁৰ কৰ্ম্ম শেষ কৰাৰ পাছত
জিৰণি লৈছিল। তেনেকৈ যি কোনোৱে ঈশ্বৰৰ জিৰণিৰ
ঠাইত প্ৰৱেশ কৰিব তেওঁ বিলাকেও ঈশ্বৰৰ দৰে নিজৰ
নিজৰ সকলো কৰ্ম সম্পূৰ্ণ কৰিব লাগিব। ১১সেয়ে আহাঁ,
আমিও ঈশ্বৰৰ সেই জিৰণিৰ ঠাইত প্ৰৱেশ কৰিবৰ বাবে
যিমান পাৰো সিমান চেষ্টা কৰোঁহক। আমি যত্নৰে চেষ্টা
কৰোঁহক যাতে আমি কোনোৱেই ঈশ্বৰৰ প্ৰতি অবাধ্যতাৰ
কাৰণে হেৰুৱা সেই সকলৰ দৃষ্টান্তৰ অনুকৰণ কৰি হেৰাই
নাজাওঁ।

[a] *8:8* উদ্ধৃতি আদিপুস্তক ২:২

১২ঈশ্বৰৰ বাক্য জীৱন্ত আৰু কাৰ্য্য সাধক।ই কোনো
দুধৰীয়া তৰোৱালতকৈও চোকা। ই আত্মা আৰু প্ৰাণ,
গাঁঠি আৰু মজ্জালৈকে বিন্ধিব পাৰে। ই মনৰ ভাৱনা আৰু
অভিপ্ৰায়কো চিনিব পাৰে।১৩ঈশ্বৰৰ আগত সৃষ্টিৰ কোন বস্তু
লুকাই থাকিব নোৱাৰে। যি জনাৰ আগত আমি বিচাপ দিব
লগা আছে,তেওঁৰ চকুৰ আগতে সকলোৱেই উদং আৰু
মুকলি হৈ আছে।

## যীচু মহান মহাপুৰোহিত

১৪আমাৰ এজন মহান মহাপুৰোহিত আছে যিজন ঈশ্বৰৰ
লগত নিবাস কৰিবলৈ স্বৰ্গলৈ গল। সেই জন হল ঈশ্বৰৰ
পুত্ৰ যীচু। সেয়ে আহা আমি বিশ্বাসৰে তেওঁত লাগি থাকো।
১৫আমাৰ মহাপুৰোহিত যীচুৱে আমাৰ দুৰ্বলতা বোৰ বুজি
পায়। যেতিয়া যীচু এই পৃথিৱীত আছিল তেওঁও সকলো
ধৰণৰ পৰীক্ষাৰ সন্মুখীন হৈছিল, কিন্তু তেওঁ কেতিয়াও পাপ
নকৰিলে। ১৬এতেকে আঁহা, আমি বিশ্বাসেৰে সেই অনুগ্ৰহ
পাবলৈ ঈশ্বৰৰ সিংহাসনৰ আগলৈ নি:সংকোচে আগবাঢ়ি
যাওঁ, যাতে প্ৰয়োজনৰ সময়ত আমাৰ সহায়ৰ বাবে আমি
দয়া আৰু অনুগ্ৰহ পাব পাৰোঁ।

**৫** ১প্ৰত্যেক মহাপুৰোহিত মানুহৰ মাজৰ পৰাই
মনোনীত কৰা হয়। আৰু পৰমত্মা বিষয়ত লোক
বিলাকক প্ৰতিনিধিত্ব কৰিবলৈ মনোনীত কৰা হয় যাতে
তেওঁলোকে পাপ কৰ্ম্মৰ বাবে নৈব্যদ্য উৎসৰ্গ কৰে।
২কিয়নো তেওঁ নিজেও দুৰ্বলতাৰ অধীন, সেয়ে তেওঁ অজ্ঞ
আৰু ভ্ৰান্ত হোৱাবিলাকৰ সৈতে নম্ৰ ব্যৱহাৰ কৰিব পাৰে।
৩এই কাৰণেই তেওঁক নিজৰ পাপৰ বাবে আৰু তেনেকুৱা
লোকৰ পাপৰ বাবে নৈব্যদ্য উৎসৰ্গ কৰিব লগা হয়।
৪এই সন্মানক কোনোৱে নিজে গ্ৰহন নকৰে।
যেতিয়ালৈকে হাৰোণৰ সমান ঈশ্বৰৰ পৰা মনোনীত নহয়।
৫এই কাৰণেই খ্ৰীষ্টও মহাপুৰোহিত হোৱাৰ গৌৰৱ সন্মান
নিজে গ্ৰহণ নকৰিলে, কিন্তু ঈশ্বৰে তেওঁক কলে,

"তুমি মোৰ পুত্ৰ;
আজি মই তোমাৰ পিতৃ হলো।" *গীতমালা ২:৭*

৬"আৰু এক অন্য স্হানত তেওঁ কৈছে,

"তুমি এজন চিৰকালৰ পুৰোহিত,
মল্কীচেদৰ[a] নিচিনা।" *গীতমালা ১১০:৪*

৭যীচু যেতিয়া এই জগতত নিজৰ জীৱন কালত যিজনে
তেওঁক মৃত্যুৰ পৰা ৰক্ষা কৰিব পাৰে, উচ্চ স্বৰে ৰিঙিয়াই
আৰু কান্দি কান্দি তেওঁক প্ৰাৰ্থনা কৰিছিল আৰু তেওঁৰ
আদৰযুক্ত বাধ্যতাৰ বাবে তেওঁৰ প্ৰাৰ্থনা শুনা গল। ৮যদিও
তেওঁ তেওঁৰ পুত্ৰ আছিল তথাপি তেওঁ দু:খভোগৰ মাজেৰে
তেওঁ আজ্ঞা পালন কৰিবলৈ শিকিলে। ৯আৰু এবাৰ সম্পূৰ্ণ
হৈ যোৱাৰ বাবে সেই সকলৰ কাৰণে যিবিলাকে তেওঁৰ
আজ্ঞাবোৰ পালন কৰে, তেওঁ চিৰকালৰ পৰিত্ৰাণৰ বাট হৈ
গল। ১০আৰু ঈশ্বৰৰ দ্বাৰা মিল্কেচেদৰ পৰম্পৰা অনুসাৰে
তেওঁক মহাপুৰোহিত ঘোষণা কৰিলে।

## পতনৰ বিৰুদ্ধে চেতনা

১১এই বিষয়ত আমাৰ অনেক বহুত কথাই আছে, কিন্তু
সেইবোৰ তোমালোকৰ ওচৰত ব্যাখ্যা কৰাটো কঠিন,
কিনয়ো তোমালোকৰ বুজা শক্তি বহুত লেহেমীয়া।
১২আচলতে ইমানদিনে তোমালোকে শিক্ষক হোৱা
উচিত আছিল। কিন্তু তোমালোকক এতিয়াও এনে
এজন ব্যক্তিৰ প্ৰয়োজন আছে যি নতুনকৈ ঈশ্বৰৰ শিক্ষাৰ
প্ৰাৰম্ভিক কথাবোৰ শিকাব।তোমালোকক এতিয়া কেৱল
গাখীৰৰ প্ৰয়োজন টান আহাৰ নহয়। ১৩যিবিলাক এতিয়া
গাখীৰ খোৱা শিশু, তেওঁবিলাকৰ ধৰ্ম্ম-বাক্য বিষয়ত জ্ঞান
নাই। ১৪কিন্তু টান আহাৰ সেই বয়সীয়া সকলৰ বাবে হয়
যিবিলাকে নিজৰ জ্ঞানন্দ্ৰিয়ৰ দ্বাৰা ভাল-বেয়াৰ নিৰ্ণয়
কৰিবলৈ শিকিছে।

**৬** ১সেয়ে, আহাঁ খ্ৰীষ্ট বিষয়ক প্ৰাৰম্ভিক শিক্ষাক বাদ
দি আমি পৰিপক্কতালৈ আগবাঢ়োইঁক। আমি সেই
কথাবোৰলৈ ঘূৰি যোৱাটো উচিত নহয় যিবোৰে আমি
আৰম্ভণিতে যেনেকৈ মৃত্যুলৈ লৈ যোৱা কৰ্ম্মৰ বাবে
মনপালটন, ঈশ্বৰত বিশ্বাস ২বিভিন্ন বাপ্তিস্মৰ[b] শিক্ষাৰ
ওপৰত হাত দিয়া, মৰাৰ পাছত পুনৰাই জী উঠা আৰু সেই
সকলো সেই বিচাৰ যি আহিবলগীয়া আমাৰ অনন্ত জীৱনত
নিশ্চিত হব। ৩আৰু যদি ঈশ্বৰে বিচাৰে তেনেহলে আমি
এনেকৈয়ে কৰিম।
৪–৬যিবিলাকে এবাৰ পোহৰ প্ৰাপ্ত হৈছে, যিবিলাকে
স্বৰ্গীয় দানৰ আস্বাদ পালে, যিবিলাকে পবিত্ৰ আত্মাৰ
অংশীদাৰ হৈছে, যিবিলাকে ঈশ্বৰৰ বাক্যৰ মঙ্গলতা আৰু
আহিবলগীয়া নতুন জগতৰ শক্তিৰ কথা অনুভৱ কৰি
পাইছে, যদি তেওঁলোক ভ্ৰান্ত হৈ যায় তেন্তে তেওঁলোকক
মনপালটাই ঘূৰাই অনাটো সম্ভৱ নহয়। তেওঁলোকে নিজৰ
বিচাৰেৰে নতুনকৈ ঈশ্বৰৰ পুত্ৰক আকৌ ক্ৰুচত তুলিলে
আৰু সকলোৰে আগত তেওঁক অপমানৰ পাত্ৰ কৰিলে।
৭সেই লোকবিলাক এই মাটিৰ দৰে যি হবলগীয়া বৰষুণৰ
পানীক শুহি লয়, আৰু চহোৱা আৰু ৰোৱাৰ বাবে উপযুক্ত
কৰি ভাল শষ্য উৎপন্ন কৰে, সেই মাটিয়ে ঈশ্বৰৰ পৰা
আৰ্শীবাদ পায়। ৮কিন্তু যদি সেই মাটিয়ে কাঁইট আৰু পুলি
কাঁইট উৎপন্ন কৰে, তেনেহলে সেয়া অনৰ্থক। আৰু সেয়া
অভিশাপ পোৱাৰ যোগ্য, শেষত তাক জ্বলাই পেলোৱা হব।
৯হে মোৰ প্ৰিয় বন্ধুসকল, যদিও আমি এনেকৈ কওঁ
কিন্তু তোমালোকৰ বিষয়ে আমাৰ ইয়াতকৈয়ো ভাল
কথাৰ বিশ্বাস আছে, যিবোৰ কথা পৰিত্ৰাণৰ সমন্ধীত।

[a] **৫:৬ মল্কীচেদক** আব্ৰাহামৰ সময়ৰ এজন পুৰোহিত আৰু সম্ৰাট আছিল চাওঁক আদিপুস্তক ১৪:১৭–২৪

[b] **৬:২ বাপ্তিস্ম** বাপ্তিস্মৰ পৰা বা ইয়াৰ অভিপ্ৰায় খ্ৰীষ্টৰ বাপ্তিস্মৰে বা যিহুদী ৰীতিৰ অনুসাৰে পানীত ডুব লোৱাৰ বাপ্তিস্মৰে।

১০তোমালোকে ঈশ্বৰৰ লোকবিলাক নিৰন্ত্ৰৰে সহায় কৰি যি প্ৰেম প্ৰকাশ কৰিলা, সেইবোৰ আৰু তোমালোকৰ অন্য কৰ্ম্মবোৰ ঈশ্বৰে কেতিয়াও নাপাহৰে। ১১আমি ইচ্ছা কৰোঁ যে তোমালোকৰ প্ৰত্যেক জনেই জীৱনত এনেদৰেই কঠিন পৰিশ্ৰম কৰি থাকা। এনেদৰে যদি কৰি থাকা তেনেহলে তোমালোকে নিশ্চয়কৈ সেয়া পাব পাৰিবা যিহৰ তোমালোকে আশা কৰিছা। ১২আমি এইটো বিচৰা নাই যে তোমালোকে এলেহুৱা হোৱা। কিন্তু তোমালোকে তেওঁলোকক অনুসৰণ কৰা যি সকলে বিশ্বাস আৰু ধৈৰ্য্যৰে সৈতে সকলোবোৰ প্ৰতিজ্ঞাৰ উত্তৰাধিকাৰী হল।এইয়ে আমাৰ ইচ্ছা।

১৩যেতিয়া ঈশ্বৰে আব্ৰাহামক প্ৰতিজ্ঞা কৰিছিল, তেতিয়া নিজতকৈ মহান আৰু কোনো নাছিল, যাৰ নামেৰে শপত লব পাৰিছিল, এই কাৰণে নিজে শপত লৈ তেওঁ ১৪কবলৈ ধৰিলে, "নিশ্চয়কৈ মই তোমাক আৰ্শীবাদ দিম আৰু মই তোমাক অনেক বংশ কৰিম।"[a] ১৫আৰু এনেদৰে ধৈৰ্য্যৰে বাট চোৱাৰ পাছত তেওঁ সেয়া লাভ কৰিলে, যি প্ৰতিজ্ঞা তেওঁক কৰা হৈছিল।

১৬মানুহবিলাকে তেওঁৰ শপত লয়, আৰু সেই শপতে সকলো তৰ্ক-বিতৰ্কৰ অন্ত কৰি, যি বিলাক কোৱা হয় সেইবিলাকক দৃঢ় কৰে। ১৭ঈশ্বৰে ইয়াক সেই লোকবিলাকৰ কাৰণে, সম্পূৰ্ণৰূপে স্পষ্ট কৰি দিব বিচাৰিছিল, যিটো তেওঁলোকে পাব লাগিছিল, যিটো তেওঁ দিবলৈ প্ৰতিজ্ঞা কৰিছিল যে তেওঁ নিজৰ প্ৰতিজ্ঞা কেতিয়াও সলনি নকৰে। সেই কাৰণে তেওঁ নিজৰ বাক্যৰ লগত তেওঁ নিজৰ শপতক লগ লগাই দিলে। ১৮তেনেহলে ইয়াত দুটা কথা আছে, তেওঁৰ প্ৰতিজ্ঞা আৰু তেওঁৰ শপত, যিটো কেতিয়াও সলনি নহয় আৰু যিহৰ বিষয়ে ঈশ্বৰে কেতিয়াও মিছা নকয়।

এইকাৰণে আমি যি ঈশ্বৰৰ ওচৰলৈ সুৰক্ষা পাবলৈ আহিছোঁ আৰু নিজৰ যি আশা তেওঁ আমাক দিছে, তাতে অত্যাধিক উৎসাহেৰে স্হিৰে আছো। ১৯এই আশা আমি আত্মাৰ সুদৃঢ় আৰু সুনিশ্চিত লঙ্গৰস্বৰুপ ৰাখিছোঁ। এইটো আঁৰ কাপোৰৰ ভিতৰৰ ভিতৰফাললৈকে সোমোৱা। ২০যি ঠাইত যীচুৱে আমাৰ হৈ আমাতকৈ আগতে প্ৰৱেশ কৰিলে। মল্কীচেদৰ ৰীতি অনুসাৰে চিৰকালৰ বাবে মহাপুৰোহিত হল।

## পুৰোহিত মীল্কীচেদক

৭ ১এই মীল্কীচেদক চালেমৰ ৰজা আছিল আৰু সৰ্বপৰি ঈশ্বৰৰ পুৰোহিত আছিল।যেতিয়া আব্ৰাহামে ৰজাবিলাকক পৰাজিত কৰি ঘুৰি আহিছিল তেতিয়া তেওঁ আব্ৰাহামক লগ কৰিলে আৰু তেওঁক আৰ্শীবাদ দিলে। ২আৰু আব্ৰাহামে তেওঁক সেই সকলো যিবোৰ তেওঁ যুদ্ধত জয় কৰিছিল তাৰ দশমভাগ দান কৰিলে।

(তেওঁৰ নামৰ প্ৰথম অৰ্থ, "ধাৰ্মিকতাৰ ৰজা" আৰু ইয়াৰ অৰ্থ "চালেমৰ ৰজাও হয়" অৰ্থাৎ "শান্তিৰ ৰজা") ৩তেওঁৰ পিতৃৰ অথবা মাতৃৰ পূৰ্বপুৰুষ সকলৰ কোনো বুৰঞ্জী পোৱা নাযায়। তেওঁৰ জন্ম অথবা মৃত্যুৰো কোনো উল্লেখ নাই। ঈশ্বৰৰ পুত্ৰৰ সমানেই তেওঁ সদা-সৰ্বদায় পুৰোহিত হৈ থাকিব।

৪অলপ ভাৱক, তেওঁ কিমান মহান আছিল। যাক জাতিৰ মূল আব্ৰাহামেও নিজৰ প্ৰাপ্তিৰ দশমাংশ দি দিছিল। ৫এতিয়া চোৱা বিধানৰ অনুসাৰে লেবী বংশধৰ পুৰোহিত হয়, লোকবিলাকৰ বা নিজৰ ভাইবিলাকৰ পৰা দশমভাগ লয়। তথাপি তেওঁৰ সেই ভাইবিলাক আব্ৰাহামৰেই বংশধৰ। ৬তথাপিও মীল্কীচেদকে, যি লেবী বংশৰ নাছিল যদিও আব্ৰাহামৰ পৰা দশমভাগ ললে। আৰু সেই আব্ৰাহামক আৰ্শীবাদ দিলে যাৰ ওচৰত ঈশ্বৰৰ প্ৰতিজ্ঞা আছিল। ৭ইয়াত কোনো সন্দেহ নাই যে যি আৰ্শীবাদ দিয়ে তেওঁ আৰ্শীবাদ লোৱা জনাৰ পৰা মহান হয়।

৮আৰু লেবীবিলাকৰ কথা হল দশমভাগ সেই ব্যক্তিসকলৰ দ্বাৰা জমা কৰা হয়, যিবিলাক মৰনশীল, কিন্তু মীল্কীচেদকৰ মতে দশমভাগ তেওঁৰ দ্বাৰা জমা কৰা হয় যি শাস্ত্ৰৰ অনুসাৰে এতিয়াও জীৱিত হৈ আছে। ৯তেনেহলে কোনোবাই এইটোও কব পাৰে যে সেই লেবীয়ে যি দশমভাগ জমা কৰে, তেওঁ আব্ৰাহামৰ দ্বাৰা দশমভাগ প্ৰদান কৰিলে। ১০কিয়নো যেতিয়া মীল্কীচেদক আব্ৰাহামক লগ পাইছিল, তেতিয়াও লেবী নিজৰ পূৰ্বপুৰুষসকলৰ শৰীৰত বিৰাজমান আছিল।

১১যদি লেবী সমন্ধীয় পুৰোহিতৰ দ্বাৰা সম্পূৰ্ণতা হোৱা হলে কিয়নো ইয়াৰ আধাৰতেই লোকবিলাকক বিধানৰ ব্যৱস্হা দিয়া হৈছিল তেনেহলে কোনো আন পুৰোহিত অহাৰ কি প্ৰয়োজনীয়তা আছিল? এজন এনে পুৰোহিত যি মল্কীচেদকৰ পৰম্পৰাৰ নহয় আৰু অন্য বিলাকৰ পৰম্পৰাৰেও নহয়। ১২কিয়নো যেতিয়া পুৰোহিত সলনি হয়, তেতিয়া বিধানৰো পৰিবৰ্তন হব লাগে। ১৩যাৰ বিষয়ে এই কথা কোৱা হৈছিল যে, তেওঁ অন্য জাতিৰ হয়, আৰু সেই জাতিৰ কোনো ব্যক্তি কেতিয়াও বেদীৰ সেৱক হোৱা নাই। ১৪কিয়নো এইটো স্পষ্ট যে আমাৰ প্ৰভু যিহূদাৰ বংশৰ আছিল আৰু মোচিয়ে সেই বংশৰ পুৰোহিতৰ বিষয়ে একো কোৱা নাছিল।

## যীচু মল্কীচেদকৰ সমান

১৫আৰু যিবোৰ আমি কলো, সেই সকলো স্পষ্ট যে মল্কীচেদকৰ দৰে এজনা পুৰোহিত উৎপন্ন হয়। ১৬তেওঁ নিজৰ বংশৱালীৰ নিয়ম অনুসাৰে নহয়, কিন্তু এক অমৰতা জীৱনৰ শক্তিৰ আধাৰতহে পুৰোহিত হৈছে। ১৭কিয়নো ঘোষণা কৰা হৈছিল, "তুমি, মল্কীচেদকৰ দৰে, নিত্য পুৰোহিত হৈছা"[b]

১৮প্ৰথম নিয়ম এইকাৰণেই লুপ্ত কৰা হল কিয়নো সেয়া

[a] **৬:১৪** উদ্ধৃতি আদিপুস্তক ২২:১৭

[b] **৭:১৭** উদ্ধৃতি গীতমালা ১১০:৪

দুৰ্বল আৰু ব্যৰ্থ আছিল। ১৯(কিয়নো বিধানৰ ব্যৱস্হাই কাকো সম্পূৰ্ণৰূপে সিদ্ধ কৰা নাই।) আৰু এক উত্তম আশাৰ সূত্ৰপাত কৰা হল যিহৰ দ্বাৰা আমি ঈশ্বৰৰ ওচৰলৈ চাপি যাওঁ।

২০এই কথাও মহত্বপূৰ্ণ যে ঈশ্বৰে যীচুক শপতৰ দ্বাৰা মহাপুৰোহিত বাব দিলে। কিয়নো আন বিলাকক হলে শপত নোখোৱাকৈ মহাপুৰোহিত বনোৱা হৈছিল। ২১কিন্তু যীচু তেতিয়া এক শপতৰ দ্বাৰা পুৰোহিত হৈছিল যেতিয়া ঈশ্বৰে তেওঁক কৈছিল,

"প্ৰভুৱে শপত খালে,
আৰু তেওঁ নিজৰ মন কেতিয়াও সলনি নকৰে,
'তুমি এজন সদা-কালৰ পুৰোহিত।'" *গীতমালা ১১০:৪*

২২এই শপতৰ কাৰণেই যীচু এক শ্ৰেষ্ঠ নিয়মৰ জামিন হল।

২৩এতিয়া চোৱা, এনে বহুতো পুৰোহিত আছিল যিবিলাকক মৃত্যুৱে নিজৰ পদত তিষ্টি থাকিব নিদিলে। ২৪কিন্তু কিয়নো যীচু অমৰ সেয়ে তেওঁৰ পুৰোহিত কাৰ্য্য সদা-কালৰ বাবে থাকিব। ২৫সেয়ে, যিবিলাকে তেওঁৰ দ্বাৰা ঈশ্বৰৰ ওচৰ চাপে, তেওঁ সিবিলাকৰ সদা-কালৰ নিমিত্তে পৰিত্ৰাণ কৰিবলৈ সমৰ্থৱান, কিয়নো তেওঁ তেওঁলোকৰ মধ্যস্হতাৰ কাৰণে সদায়ে জীয়াই থাকে।

২৬এনে মহাপুৰোহিতেই আমাৰ প্ৰয়োজনীয়তাক পূৰ্ণ কৰিব পাৰে, যি পবিত্ৰ, নিৰ্ম্মল, নিস্কলঙ্ক, শুচি, পাপীবিলাকৰ প্ৰভাৱৰ পৰা দূৰত থকা, স্বৰ্গৰ পৰাও যাক উচ্চ শিখৰলৈ উঠোৱা হল। ২৭যাৰ কাৰণে অন্য মহাপুৰোহিতৰ দৰে এনে প্ৰয়োজন নহওক যি প্ৰতিদিনে প্ৰথমে নিজৰ পাপবোৰৰ বাবে আৰু লোকবিলাকৰ বাবে নৈব্যদ্য উৎসৰ্গ কৰে।তেওঁতো সদা-কালৰ বাবে তেওঁলোকৰ পাপৰ কাৰণে নিজে নিজৰ বলিদান কৰি দিলে। ২৮কিন্তু ঈশ্বৰে শপতৰ লগত এটা নিয়ম দিলে। এইটো সেই নিয়ম বিধান-ব্যৱস্হাৰ পাছত আহিল আৰু এই নিয়মেই মহাপুৰোহিতৰ ৰূপত পুত্ৰক নিযুক্ত কৰিলে যি চিৰকালৰ বাবে সম্পূৰ্ণ হৈ গল।

### নতুন নিয়মৰ মহাপুৰোহিত

**৮** ১যিবোৰ আমি কৈ আছোঁ, তাৰ মূখ্য কথাটো এইটো যে, নিশ্চিয়কৈ আমাৰ লগত এজন এনে মহাপুৰোহিত আছে যি স্বৰ্গত সেই মহিমাময় সিংহাসনৰ সোঁফালে বিৰাজমান। ২তেওঁ সেই পবিত্ৰ গৰ্ভ গৃহত বা সঁচা তম্বু যিটো ঈশ্বৰে স্হাপিত কৰিছিল, মানুহৰ দ্বাৰা নহয়, পৰিচৰ্য্যাকাৰী হৈছে।

৩প্ৰত্যেক মহাপুৰোহিত এই কাৰণেই নিযুক্ত কৰা হয় যে তেওঁ উপহাৰ আৰু বলিদান দুয়োকো উৎসৰ্গ কৰে। সেয়ে এই মহাপুৰোহিতৰ কাৰণেও এইটো প্ৰয়োজন আছিল যে তেওঁৰ ওচৰতো উৎসৰ্গ কৰিবলৈ কিবা থকাটো। ৪যদি তেওঁ জগতত থাকিলে হয় তেন্তে পুৰোহিত হব নোৱাৰিলে হয়, কিয়নো তাত আগৰ পৰাই এনে ব্যক্তি আছেই যি বিধান-ব্যৱস্হাৰ অনুসাৰে যিহক উৎসৰ্গ কৰিব পাৰে। ৫পবিত্ৰ উপাসনা স্হানত তেওঁলোকৰ সেৱা-উপাসনা স্বৰ্গৰ ছাঁ মাথোন। এইকাৰণে মোচিয়ে পবিত্ৰ তম্বুৰ নিৰ্ম্মান কৰিবলৈ লওঁতে তেওঁক সাৱধান কৰি দিয়া হল, "মনত ৰাখিবা তুমি প্ৰত্যেকটো বস্তু ঠিক সেইধৰণেই তাৰ প্ৰতিৰূপে কৰিবা যি তোমাক পৰ্বতত দেখুউৱা হৈছিল।"[a] ৬কিন্তু যি পৰিচৰ্য্যা যীচুৱে পালে, সেইটো তেওঁৰ পৰিচৰ্য্যাতকৈ শ্ৰেষ্ঠ। কিয়নো তেওঁ যি নিয়মৰ মধ্যস্হতও হৈছে, তেওঁ পুৰণি নিয়মতকৈ উত্তম আৰু উত্তম বস্তুবোৰৰ প্ৰতিজ্ঞাত আধাৰিত।

৭কিয়নো যদি প্ৰথম নিয়মত কিবা দোষ নথকা হলে দ্বিতীয় নিয়মৰ কাৰণে একো স্হান নাথাকিলে হয়। ৮কিন্তু ঈশ্বৰে সেই লোকবিলাকত দোষ পালে, তেওঁ কলে,

"প্ৰভুৱে ঘোষনা কৰিছে: সেই সময় আহিছে যেতিয়া
মই ইস্ৰায়েলৰ বংশৰ আৰু যিহূদাৰ বংশৰ
সৈতে এক নতুন নিয়ম সনপন্ন কৰিম।
৯ এই নিয়ম তেনেকুৱা নহব যেনেকৈ মই তেওঁলোকৰ
পূৰ্বপূৰুষ সকলৰ লগত সেই সময়ত
কৰিছিলোঁ।
যেতিয়া মই তেওঁলোকক হাত মিচৰৰ পৰা
উলিয়াই আনিবলৈ ধৰিছিলোঁ।
কিয়নো প্ৰভুৱে কৈছে, তেওঁলোক মোৰ নিয়মৰ
বিশ্বাসী হৈ নাথাকিলে।
মই তেওঁলোকৰ পৰা মূখ ঘূৰালোঁ।
১০ এইটো সেই নিয়ম যি মই ইস্ৰায়েলৰ বংশৰ সৈতে
স্হাপন কৰিম।
আৰু তাৰ পাছত প্ৰভুৱে ঘোষণা কৰিছে।
তেওঁলোকৰ চিত্তত মোৰ বিধান স্হাপন কৰিম,
তেওঁলোকৰ হৃদয়ত তাক লিখি দিম।
মই তেওঁলোকৰ ঈশ্বৰ হম আৰু তেওঁলোকৰ
মোৰ লোক হব।
১১ পাছে কেতিয়াও কোনো লোকে নিজৰ চুবুৰীয়াক এনে
নিশিকাব অথবা কোনো লোকে নিজৰ ভাইক
কেতিয়াও নকব যে তুমি ঈশ্বৰক জানিবা বুলি।
কিয়নো তেতিয়া সৰুৰ পৰা ধৰি বৰলৈকে
সকলোৱে মোক জানিব।
১২ কিয়নো মই তেওঁলোকৰ পাপবোৰ ক্ষমা কৰিম আৰু
কেতিয়াও তেওঁলোকৰ পাপবোৰ সোঁৱৰণ
নকৰিম। *যিৰিমিয়া ৩১:৩১–৩৪*

১৩এই নিয়মক নতুন বুলি কৈ প্ৰথমৰ বিধান-ব্যৱস্হাত অযোগ্য বুলি কলে যিটো পুৰণি আৰু অযোগ্য আছিল, সেয়ে সেইবোৰ শীঘ্ৰেই লুপ্ত হৈ যাব।

[a] **৮:৫** উদ্ধৃতি যাত্ৰাপুস্তক ২৫:৪০

## পুৰনি নিয়মৰ উপাসনা

৯ ১এতিয়া চোৱা, প্ৰথম নিয়মতো উপাসনাৰ প্ৰথা
আছিল। মানুহৰ হাতেৰে নিৰ্মিত উপাসনাৰ গৃহও
আছিল। ২এটা তম্বু নিৰ্ম্মান কৰা হৈছিল যিটোৰ প্ৰথম
কোঠালিত দীপাধাৰ আছিল, মেজ আছিল, আৰু দৰ্শন পিঠা
আছিল। ইয়াক পবিত্ৰস্হান বুলি কোৱা হৈছিল। ৩দ্বিতীয়
আঁৰ কাপোৰৰ পিছফালে আন এটা কোঠালি আছিল
যিটোক পৰম পবিত্ৰ বুলি কোৱা হয়। ৪ইয়াত সুগন্ধিত দ্ৰব্যৰ
সামগ্ৰীৰ বাবে এটি বেদী আৰু সোণৰ পতা মৰোৱা নিয়ম
চন্দুক আছিল।এই চন্দুকৰ ভিতৰত মান্না থকা সোণৰ ঘট
আছিল। হাৰোণৰ সেই লাখুটি যিহত কুঁহি ওলাইছিল আৰু
নিয়মৰ দুখন শিলৰ ফলি আছিল। ৫চন্দুকৰ ওপৰত ঈশ্বৰৰ
মহিমাময় উপস্হিতিৰ প্ৰতীক বা কৰূব আছিল যি ক্ষমাৰ
স্হানক ছাঁ কৰি ৰাখিছিল। কিন্তু এই সময়ত আমি সেই
বিষয়ে বিস্তাৰভাৱে আলোচনা কৰিব নোৱাৰোঁ।
৬সকলোবোৰ এইদৰে নিৰ্ম্মিত হোৱাৰ পাছত পুৰোহিতে
বাহিৰৰ কোঠালিত প্ৰতিদিনেই প্ৰৱেশ কৰি নিজৰ
পৰিচৰ্য্যাৰ কৰ্ম্ম কৰে। ৭কিন্তু ভিতৰৰ কোঠালিত কেৱল
মহাপুৰোহিতহে প্ৰৱেশ কৰিছিল আৰু সেইটোও বছৰেকত
এবাৰহে। তেওঁ বিনা সেই তেজ লৈ প্ৰৱেশ কৰা নাছিল
যিটো তেওঁ নিজৰ দ্বাৰা আৰু আন লোকবিলাকৰ দ্বাৰা
নজনাকৈ কৰা পাপৰ নিমিত্তে উৎসৰ্গ কৰিছিল।
৮ইয়াৰ দ্বাৰাই পবিত্ৰ আত্মাই এইটো দৰ্শাইছিলে যে
যেতিয়ালৈকে প্ৰথম কোঠালিত থাকে, তেতিয়ালৈকে অতি
পবিত্ৰ স্হানৰ সোমোৱা পথ অথন প্ৰকাশিত নহয়। ৯এইটো
আজিৰ যুগৰ বাবে এইটো এটা প্ৰতীক যি এইটো দৰ্শায়
যে সেই উপহাৰ আৰু বলিদান যাক উৎসৰ্গ কৰা হৈছে,
উপসনা কৰাজনৰ বিবেকক সিদ্ধ কৰিব নোৱাৰিছিল।
১০এইবোৰ মাত্ৰ খোৱা-বোৱা আৰু অনেক উৎসৱ, বিশেষ
স্হানত পালনীয় নিয়ম আৰু নতুন বিধান-ব্যৱস্হাৰ
সময়লৈকে হে বিধি মাত্ৰ।

## খ্ৰীষ্টৰ তেজ

১১কিন্তু এতিয়া খ্ৰীষ্টৰ আৰু উত্তম ব্যৱস্হা যি আমাৰ লগত
আছে, মহাপুৰোহিত হৈ আহিলে। তেওঁ সেই অধিক উত্তম
আৰু সম্পূৰ্ণ তম্বুৰেদি প্ৰৱেশ কৰিলে যি মানুহৰ হাতেৰে
তৈয়াৰী নহয়। অৰ্থাৎ যি সাংসাৰিক নহয়। ১২ছাগৰ আৰু
দামুৰিৰ তেজ লৈ প্ৰৱেশ কৰা নাই কিন্তু সদা-সৰ্বদায়ৰ
কাৰণে উপহাৰ স্বৰূপে নিজৰেই তেজ লৈ অতি পবিত্ৰ
স্হানলৈ প্ৰবৃষ্ট হৈছিল। এইদৰেই তেওঁ আমাৰ কাৰণে
পাপৰ পৰা অনন্ত কালস্হায়ী মুক্তিৰ সুনিশ্চিত কৰি দিলে।
১৩ছাগ আৰু ভতৰাৰ তেজ তথা চেঁউৰীৰ ভস্মৰ
তেওঁলোকৰ ওপৰত ছিটিকুউৱাই দি, অশুচিবিলাকক
সিদ্ধ কৰে যাতে তেওঁলোকে বাহ্যিক ৰুপে পবিত্ৰ হয়।
১৪যেতিয়া এইটো সত্য হয় তেনেহলে খ্ৰীষ্টৰ তেজ কিমান
প্ৰভাৱশালী হব।তেওঁ অনন্ত আত্মাৰ দ্বাৰা নিজে নিজকে এক
সম্পূৰ্ণ বলি ৰুপত ঈশ্বৰক সমৰ্পিত কৰি দিলে।সেয়ে তেওঁৰ
তেজে আমাৰ বিবেকক সেই কৰ্ম্মবোৰৰ পৰা মুক্তি দিব।যি
মৃত্যুলৈ লৈ যায়। যাতে আমি জীৱিত ঈশ্বৰৰ পৰিচৰ্য্যা কৰিব
পাৰোঁ
১৫এই কাৰণেই খ্ৰীষ্টই এক নতুন নিয়মৰ মধ্যস্হ হল যাতে
যিবিলাকক আমন্ত্ৰণ কৰা হৈছে, তেওঁলোকে উত্তৰাধিকাৰৰ
অনন্ত আৰ্শীবাদ পায় যিটো ঈশ্বৰে প্ৰতিজ্ঞা কৰিছিল।এতিয়া
চোৱা, নিয়মৰ অধীন কৰা পাপবোৰৰ পৰা তেওঁলোকক মুক্ত
কৰিবলৈ মূল্য স্বৰূপে তেওঁ নিজৰ প্ৰাণ দি দিলে।
১৬যত নিয়ম পত্ৰ[a] হয়, তেনেহলে যিয়ে সেইটো লিখে
তেওঁৰ মৃত্যুৰ প্ৰমাণিত কৰাটো প্ৰয়োজন। ১৭কিয়নো
কোনো নিয়ম পত্ৰ কেৱল তেতিয়াহে সাৰ্থক হয় যেতিয়া
নেকি লিখা জনৰ মৃত্যু হৈ যায়। যেতিয়ালৈকে লিখা
জন জীয়াই থাকে তেতিয়ালৈকে এইটো কেতিয়াও
সাৰ্থক নহয়। ১৮এইকাৰণে প্ৰথম নিয়ম মৃত্যু আৰু তেজ
নোবোৱাকৈ কাৰ্য্যকৰী নহল। ১৯মোচিয়ে যেতিয়া বিধানৰ
ব্যৱস্হাৰ বিষয়ে সকলো আদেশ সকলো লোকবিলাকলৈ
ঘোষণা কৰিলে তেতিয়া তেওঁ পানীৰে সৈতে ছাগৰ আৰু
দামুৰিৰ তেজক সেন্দুৰ বৰণীয়া মেৰৰ নোম, আৰু এচোৰ
বনেৰে চম্ৰ পাত্ৰ আৰু সকলো লোকবিলাকলৈ ছটীয়ালে।
২০তেওঁ কৈছিল, "এইটো সেই নিয়মৰ তেজ, ঈশ্বৰে পালন
কৰিবলৈ যি আজ্ঞা দিছে।" ২১তেওঁ এইধৰণে তম্বু আৰু
উপাসনাৰ উৎসৱত সেৱা কাৰ্য্যৰ সকলো বস্তুৰ ওপৰত
তেজ ছটিয়াই দিছিল। ২২আচলতে বিধানৰ মতে সকলো
বস্তু তেজেৰে শুচি কৰা হওক। আৰু তেজ উলিওৱা নহলে
পাপমোচন নহয়।

## খ্ৰীষ্টৰ বলিদানে পাপবোৰক ধূই দিয়ে

২৩তেনেহলে এইটো প্ৰয়োজন যে সেই বস্তুবোৰ যিবোৰ
স্বৰ্গৰ প্ৰতীৰূপ আছে, সেইবোৰ পশুৰ বলিদানেৰে শুচি
কৰা হওক কিন্তু স্বৰ্গৰ বস্তুবোৰ ইয়াতকৈয়ো উত্তম
বলিদানৰ দ্বাৰা শুচি কৰিবলৈ আগ্ৰহ কৰে। ২৪খ্ৰীষ্টই মানুহৰ
হাতেৰে সজা পৰম পবিত্ৰ স্হানত যি প্ৰকৃত পৰম পবিত্ৰ
স্হানৰ প্ৰতীকৃতি মাত্ৰ আছিল প্ৰৱেশ নকৰিলে। তেওঁতো
নিজে স্বৰ্গত প্ৰৱেশ কৰিলে যাতে এতিয়া তেওঁ আমাৰ হৈ
ঈশ্বৰৰ উপস্হিতিত প্ৰকাশ হবলৈ সোমাল।
২৫আৰু নিজকে বাৰে বাৰে বলিদান উৎসৰ্গ কৰিবৰ
কাৰণে তেওঁ স্বৰ্গত এইদৰে প্ৰৱেশ কৰিলে, যেনেকৈ
মহাপুৰোহিতে সেই তেজৰ সৈতে যিটো তেওঁৰ নিজৰ
নহয়, পৰম পবিত্ৰ স্হানত প্ৰৱেশ কৰে। ২৬নহলে খ্ৰীষ্টক
সৃষ্টিৰ আদিৰে পৰা অনেক বাৰ দুখ-ভোগ কৰিবলগীয়া হল
হেতেঁন। কিন্তু এতিয়া চোৱা, যুগৰ অন্তিম বিন্দুত নিজৰ
বলিদানৰ দ্বাৰা পাপবোৰৰ শেষ কৰিবলৈ তেওঁ সদকালৰ
বাবে এবাৰ মাথোন প্ৰকাশিত হল।
২৭যেনেকৈ এবাৰ মৰা আৰু তাৰ পাছত সোধ-বিচাৰৰ
বাবে সংঘৰ্ষ কৰা মানুহৰ প্ৰবৃতি আছে। ২৮এইকাৰণে

[a] **৯:১৬ নিয়ম** পত্ৰ গ্ৰীক যি শব্দৰ নিয়ম সেইটো শব্দ নিয়ম পত্ৰৰ অৰ্থও হয়।

তেনেকুৱাই খ্ৰীষ্টক এবাৰতেই অনেক ব্যক্তিৰ পাপৰ ভাৰ
ববৰ বাবে বলিদান কৰি দিয়া হল। আৰু তেওঁ পাপৰ ভাৰ
ববলৈ নহয় কিন্তু যিবিলাকে তেওঁলৈ অপেক্ষা কৰি থাকে
তেওঁলোকৰ পৰিত্ৰাণৰ অৰ্থে দ্বিতীয়বাৰ প্ৰকাশিত হব।

### অন্তিম বলিদান

১০ ১বিধানৰ ব্যৱস্হাই ভাবী মঙ্গল কথাৰ ছাঁয়া মাত্ৰ
প্ৰদান কৰে। নিজতেই প্ৰকৃতাৰ্থত এই কথা
যথেষ্ট নহয়। এই কাৰণেই সেই বলিদানৰ দ্বাৰা যিবোৰ
প্ৰতিবৰ্ষই নিৰন্তৰে সদাই দিয়েই থাকিব লাগে, উপাসনাৰ
বাবে চাপি অহা সকলোবোৰক সম্পূৰ্ণৰূপে সিদ্ধ কৰিব
নোৱাৰে। ২যদি এনেকৈয় হোৱা হলে তেওঁলোকৰ উৎসৰ্গ
কৰা বন্ধ নহলহেতেঁন নে? কিয়নো এনে হোৱা হলে উৎসৰ্গ
কৰা জন এবাৰতেই সদা-সৰ্বদায়ৰ কাৰণে পবিত্ৰ হৈ গল
হেতঁন। আৰু নিজ নিজ পাপৰ কাৰণে নিজকে অপৰাধী
বুলি নাভাৱিলেহেতেঁন। ৩কিন্তু সেই বলিদান সমূহ কেৱল
মাত্ৰ পাপবোৰৰ এক বাৰ্ষিক স্মৃতি মাথোঁন। ৪কিয়নো ভতৰা
আৰু ছাগৰ তেজে পাপবোৰ দূৰ কৰি দিব, এনে সম্ভৱ নহয়।
৫এইকাৰণে যেতিয়া যীচু এই জগতলৈ আহিছিল
তেতিয়া তেওঁ কৈছিল,

"তুমি বলিদান আৰু নৈবেদ্যলৈ ইচ্ছা নকৰিলা,
কিন্তু মোলৈ শৰীৰ যুগুত কৰিলা।"
৬ তুমি কেতিয়াও কোনো হোমবলি আৰু
পাপাৰ্থক বলিদানত সন্তুষ্ট নহলা।
৭ তেতিয়া মই আকৌ কৈছিলোঁ,
'পুস্তকত মোৰ বিষয়ে এইটোও লিখা আছে, মই
ইয়াতে আছোঁ,
হে ঈশ্বৰ তোমাৰ ইচ্ছা পূৰ্ণ কৰিবলৈ আহিছোঁ।'"

*গীতমালা ৪০:৬–৮*

৮তেওঁ প্ৰথমতে কৈছিল, "বলিদান আৰু নৈবেদ্য, হোমবলি
আৰু পাপাৰ্থক বলিদানলৈ তুমি ইচ্ছা নকৰিলা আৰু তুমি
সেইবোৰত সন্তুষ্ট নহোৱা।"(যদিও বিধানৰ ব্যৱস্হাই
এইটো বিচাৰে যে তেওঁলোকে উৎসৰ্গ কৰক) ৯তেতিয়া
তেওঁ কৈছিল, "মই ইয়াতে আছোঁ। মই তোমাৰ ইচ্ছা
পূৰ্ণ কৰিবলৈ আহিছোঁ।" তেনেহলে তেওঁ দ্বিতীয় বিধান
স্হিৰ কৰিবলৈ আৰু প্ৰথমটো গুচাই পেলাই। ১০এইকাৰণে
ঈশ্বৰৰ ইচ্ছাৰে এবাৰেই সদাকালৰ কাৰণে যীচু খ্ৰীষ্টৰ
শৰীৰৰ বলিদানৰ দ্বাৰা আমি পবিত্ৰ কৰা হলোঁ।
১১প্ৰতিজন পুৰোহিতে এদিনৰ পাছত এদিন থিয় হৈ
নিজৰ ধাৰ্মিক কৰ্তব্যবোৰ পালন কৰে।তেওঁলোকে
একেপ্ৰকাৰৰ বলিদান উৎসৰ্গ কৰে যিবোৰে কেতিয়াও পাপ
গুচাব নোৱাৰে। ১২কিন্তু পুৰোহিত ৰূপে খ্ৰীষ্টই পাপবোৰৰ
অৰ্থে সদাকালৰ কাৰণে বলিদান উৎসৰ্গ কৰি ঈশ্বৰৰ
সোঁহাতে গৈ বহিল। ১৩আৰু সেই সময়ৰ পৰাই নিজৰ
শত্ৰুবিলাকক তেওঁৰ ভৰিৰ পীৰা কৰা নোহোৱামানলৈকে
অপেক্ষা কৰি আছে। ১৪কিয়নো তেওঁৰ একমাত্ৰ বলিদানৰ
দ্বাৰা, যাক পবিত্ৰ কৰা হৈছে, তেওঁবিলাকক সদাকালৰ বাবে
সম্পূৰ্ণৰূপে সিদ্ধ কৰিলে।
১৫এই বিষয়ে পবিত্ৰ আত্মাইও আমাক সাক্ষ্য দিছে।
প্ৰথমতে তেওঁ কৈছে:

১৬ "এইটো সেই নিয়ম যিটো মই তেওঁলোকলৈ কৰিম।
আৰু তাৰ পাছত প্ৰভুৱে ঘোষণা কৰে।
নিজৰ বিধান তেওঁলোকৰ চিত্তত দিম
আৰু তেওঁলোকৰ হৃদয়ত তাক লিখিম।"

*যিৰিমিয়া ৩১:৩৩*

১৭তেওঁ ইয়াকো কৈছে,

"তেওঁলোকৰ পাপ আৰু অধৰ্ম্মবোৰ এতিয়া
আৰু সোঁৱৰণ নকৰিম।" *যিৰিমিয়া ৩১:৩৪*

১৮আৰু যদি পাপবোৰ ক্ষমা কৰি দিয়া হল তেন্তে পাপৰ
কাৰণে আৰু কোনো বলি দিয়াৰ প্ৰয়োজন নাথাকিল।

### ঈশ্বৰৰ ওচৰলৈ আঁহা

১৯এতেকে হে ভাইবিলাক, কিয়নো যীচুৰ তেজৰ দ্বাৰা
আমাৰ সেই পৰম পবিত্ৰ স্হানত প্ৰৱেশ কৰিবলৈ নিশ্চয়তা
আৰু ভাৰশা আছে। ২০যিটো তেওঁ আঁৰ কাপোৰৰ দ্বাৰা
অৰ্থাৎ যি তেওঁৰ শৰীৰেই, এক নতুন আৰু জীৱনময়
পথৰ মাধ্যমেদি আমাৰ কাৰণে মুকলি কৰিলে। ২১কিয়নো
আমাৰ লগত এনে এজন পুৰোহিত আছে যি ঈশ্বৰৰ গৃহৰ
উত্তৰাধিকাৰী। ২২তেনেহলে আঁহা, আমি সত্য হৃদয় সহিত
সম্পূৰ্ণ নিশ্চয়তাযুক্ত বিশ্বাসেৰে আমাৰ শৰীৰ শুচি কৰিবলৈ
শুদ্ধ পানীৰে ধুউৱা হৈ নিজৰ শৰীৰৰ সৈতে ঈশ্বৰৰ ওচৰলৈ
চাপি যাওঁহক। ২৩তেন্তে আঁহা যি আশাৰ আমি অংগীকাৰ
কৰিছোঁ আমি তাতেই লাগি থাকোঁহক কিয়নো যি জনে
আমাক প্ৰতিজ্ঞা কৰিলে তেওঁ বিশ্বাসী।

### সক্ষম হবলৈ পৰস্পৰে সহায় কৰা

২৪সেয়ে আঁহা আমি মনোযোগ দিওঁ যে আমি প্ৰেম আৰু
স-কৰ্ম্মৰ প্ৰতি পৰস্পৰে কেনেকৈ উদগাব পাৰোঁ। ২৫আমাৰ
সভাবোৰলৈ অহাটো নেৰিবা।যেনেকৈ কিছুমান লোকক
তালৈ নাহিবলৈ অভ্যাস হৈ গৈছে। কিন্তু আমি পৰস্পৰে
উদগাব লাগে। আৰু যেনেকৈ তোমালোকে দেখিছাই যে
সেই দিন[a] ওচৰ চাপি আহিছে। এইকাৰণে তোমালোকে
আৰু অধিককৈ প্ৰেৰণা যোগোৱা।

### খ্ৰীষ্টৰ পৰা আঁতৰি নাযাবা

২৬সত্যৰ জ্ঞান পোৱাৰ পাছতো যদি আমি জানি শুনি পাপ

*a* **১০:২৫** সেই দিন অৰ্থাত খ্ৰীষ্ট যেতিয়া পুনৰ প্ৰকাশিত হব।

করিয়েই থাকোঁ তেনেহলে পাপৰ কাৰণে কোনো বলিদান
বাকী নাথাকে। ২৭কিন্তু পাছে সোধ-বিচাৰৰ এক ভয়ানক
প্ৰতীক্ষা আৰু ভীষণ অগ্নিৰ কোপহে থাকি যাব যি ঈশ্বৰৰ
বিৰোধীবিলাকক গ্ৰাস কৰি পেলাব। ২৮যি কোনোৱে মোচিৰ
বিধান ব্যৱস্হাৰ পালন কৰাত অৱহেলা কৰে, তেওঁক
কোনো দয়া নকৰাকৈ দুই বা তিনি গৰাকী সাক্ষীৰ সাক্ষ্যৰ
দ্বাৰা মাৰি পেলোৱা হয়। ২৯চিন্তা কৰা, সেই মানুহ কিমান
অধিক দণ্ডৰ পাত্ৰ, যি নিজৰ ভৰিৰ তলত ঈশ্বৰৰ পুত্ৰক
গছকে। যি সেই নিয়মৰ সেই তেজক, যিহক তেওঁহে
পবিত্ৰ কৰিছিল, তাক অপবিত্ৰ বুলি গন্য কৰিলে আৰু যিয়ে
অনুগ্ৰহৰ আত্মাক অপমান কৰিলে। ৩০কিয়নো আমি তেওঁক
জানো যি কৈছিল, "প্ৰতিশোধ লোৱা মোৰ কাম, মইয়েই
প্ৰতিশোধ লম।"[a] আৰু আকৌ, "প্ৰভুৱে নিজৰ লোকৰ
সোধ-বিচাৰ কৰিব।"[b] ৩১কোনো পাপীৰ জীৱনময় ঈশ্বৰৰ
হাতত পৰাটো এক ভয়ঙ্কক কথা।

### বিশ্বাসত থাকা

৩২প্ৰাৰম্ভনিৰ সেই দিনবোৰলৈ মনত পেলোৱা যেতিয়া
তোমালোকে পোহৰ পাইছিলা, আৰু তাৰ পাছত যেতিয়া
তোমালোকে দুখ-ভোগ কৰি কঠোৰ সংঘৰ্ষত দৃঢ়তাৰে
সহন কৰিছিলা। ৩৩তেতিয়া তোমালোকক সকলো
লোকবিলাকৰ আগত নিন্দা কৰা হলা, আৰু ক্লেশত
কৌতুকৰ পাত্ৰ হলা, আৰু যেতিয়া যাৰ লগত এনে ব্যৱহাৰ
কৰা হৈছিল তোমালোকে তেওঁৰ সমভাগী আছিলা।
৩৪তোমালোক যি বন্দীশালত আছিলা, তোমালোকৰ যি
নিজৰ সম্পত্তি জব্দ কৰাত তোমালোকে যি সহানুভূতিৰে
স্বীকাৰ কৰিলা।কিয়নো তোমালোকে এইটো জানিছিলা যে
তোমালোকৰ নিজৰ ওচৰত নিজৰ কাৰণে তাতকৈ অধিক
স্হায়ী সম্পত্তি আছে।
৩৫এতেকে নিজৰ সেই নিৰ্ভিকতাৰ যি বিশ্বাস
ত্যাগ নকৰিবা কিয়নো ইয়াৰ বাবে প্ৰতিফল দিয়া হব।
৩৬তোমালোকৰ ধৈৰ্য্যৰ আৱশ্যকতা আছে যাতে
তোমালোক যেতিয়া ঈশ্বৰৰ ইচ্ছা পূৰ্ণ কৰিব পাৰিবা যি
প্ৰতিজ্ঞা তেওঁ দিছে, সেয়া যেন পোৱা। ৩৭কিয়নো বহুত
শীঘ্ৰেই,

"যি জনা আহিবলগীয়া
আছে শীঘ্ৰেই আহিব।"
৩৮ মোৰ ধাৰ্মিক জন বিশ্বাসৰ দ্বাৰাই জীৱ,
কিন্তু যদি তেওঁ পিছ হহুকি যায় তেন্তে মই
তেওঁত সন্তুষ্ট নহম। *হবক্কুক ২:৩–৪*

৩৯কিন্তু আমি তেওঁলোকৰ দৰে নহও, যি সকলে পিছলৈ
হুহুকি যায়, কিন্তু তেওঁলোকৰ মাজৰহে যিসকলে বিশ্বাস
কৰে আৰু উদ্ধাৰ পায় ।

[a] **১০:৩০** উদ্ধৃতি দ্বিতীয় বিৱৰণ ৩২:৩৫
[b] **১০:৩০** উদ্ধৃতি দ্বিতীয় বিৱৰণ ৩২:৩৬

### বিশ্বাসৰ গৌৰৱ

**১১** ১বিশ্বাসৰ অৰ্থ হৈছে, যিহক আমি আশা
কৰোঁ।তাক নিশ্চিত হোৱা। আৰু বিশ্বাসৰ অৰ্থ
হৈছে আমি হয়তো কোনো বস্তুক দেখা নাই কিন্তু ই আছে
বুলি নিশ্চয়তা জ্ঞান কৰা । ২এই কাৰণেই প্ৰাচীন কালৰ
লোক বিলাকে ঈশ্বৰৰ আদৰ প্ৰাপ্তি হল।
৩বিশ্বাসৰ আধাৰতেই আমি জানো যে ঈশ্বৰৰ আদেশৰ
দ্বাৰাই বিশ্বব্ৰহ্মাণ্ডৰ স্হাপন কৰা হল।সেয়ে যিবোৰ দৃশ্য,
সেইবোৰ দৃশ্যৰেই প্ৰকাশিত হোৱা নাই।
৪হেবলে বিশ্বাসৰ কাৰণেই ঈশ্বৰলৈ কয়িনতকৈ উত্তম
বলিদান উৎসৰ্গ কৰিছিল। বিশ্বাস কৰা কাৰণেই তেওঁক
এজন ধাৰ্মিক পুৰুষ বুলি গণ্য হল যেতিয়া ঈশ্বৰে তেওঁৰ
উপহাৰৰ প্ৰশংসা কৰিছিল।আৰু বিশ্বাসৰ কাৰণেই তেওঁ
এতিয়ালৈকে কথা কৈয়ে আছে যদিও তেওঁ মৃত।
৫বিশ্বাসৰ কাৰণেই হনোকক এই জীৱনৰ পৰা
লোকান্তৰলৈ উঠাই লৈ যোৱা হল যাতে তেওঁ মৃত্যুৰ
অনুভৱ নকৰক বুলি। ঈশ্বৰে তেওঁক দূৰলৈ লৈ গৈছিল
সেয়ে তেওঁক পোৱা নহল।কিয়নো তেওঁক উঠাই লৈ
যোৱাৰ আগেয়ে ঈশ্বৰক সন্তুষ্ট কৰি দিয়া ৰুপে তেওঁ
সন্মান পাইছিল। ৬আৰু বিশ্বাসৰ অবিহনে ঈশ্বৰক সন্তোষ্ট
কৰাটো অসম্ভৱ।কিয়নো প্ৰত্যেকেই যি তেওঁৰ ওচৰলৈ
আহে তেওঁৰ কাৰণে এইটো প্ৰয়োজন যে তেওঁ এই কথাত
বিশ্বাস কৰক যে ঈশ্বৰৰ অস্হিত্ব আছে, আৰু তেওঁক যি
সত্যতাৰে বিচাৰে তেওঁ তেওঁক তাৰ প্ৰতিফল দিয়ে।
৭বিশ্বাসৰ কাৰণেই নোহক যেতিয়া সেই কথাবোৰৰ
সাৱধান কৰি দিয়া হৈছিল যিবোৰ তেওঁ দেখাই নাছিল।
সেয়ে তেওঁ পবিত্ৰ ভয়েৰে সৈতে নিজৰ পৰিয়ালক ৰক্ষা
কৰিবলৈ এখন জাহাজ নিৰ্ম্মান কৰিছিল। নিজৰ বিশ্বাসৰ
কাৰণেই তেওঁ এই সংসাৰক দোষী সাব্যস্হ কৰিলে আৰু
সেই ধাৰ্মিকতাৰ উত্তৰাধিকাৰী হল যি বিশ্বাসৰ পৰা উ-পন্ন
হয়।
৮বিশ্বাসৰ কাৰণেই, যেতিয়া আব্ৰাহামক এনে ঠাইলৈ
যাবলৈ আমন্ত্ৰণ কৰা হল যত তেওঁ উত্তৰাধিকাৰী ৰুপে
পাবলৈ আছিল। যদিও তেওঁ এইটো নাজানিছিল যে তেওঁ
কলৈ গৈ আছে তথাপি তেওঁ আজ্ঞা পালন কৰিলে আৰু
তালৈ গল। ৯বিশ্বাসৰ কাৰণেই যি স্হান দিবলৈ তেওঁক
প্ৰতিজ্ঞা কৰা হৈছিল, তাত এজন প্ৰবাসী হৈ নিজৰ ঘৰ
নিৰ্ম্মান কৰি নিবাস কৰিলে। তেওঁ তম্বুত তেনেকৈয়ে
থাকিল যেনেকৈ ইচাহাক আৰু যাকোৱে থাকিছিল
যিবিলাকে তেওঁৰে সৈতে ঈশ্বৰৰ সেই প্ৰতিজ্ঞাৰ
উত্তৰাধিকাৰী আছিল। ১০তেওঁ সুদৃঢ় আধাৰ থকা নগৰলৈ
বাট চাই আছিল যিহৰ শিল্পী আৰু ভিত্তিমূল নিৰ্ম্মানকাৰী
ঈশ্বৰ।
১১বিশ্বাসৰ কাৰণেই আব্ৰাহাম যি বুঢ়া হৈ গৈছিল আৰু
চাৰাও যি বাজী আছিল, যাক প্ৰতিজ্ঞা কৰা হৈছিল, তাক
বিশ্বাসী বুলি জানি গৰ্ভৱতী হল আৰু আব্ৰাহামক পিতৃ
বহলৈ আৰ্শীবাদ কৰিলে। ১২এইদৰেই এজন ব্যক্তিৰ দ্বাৰা

যি লেখত আকাশৰ তৰাৰ সমান আৰু সাগৰৰ বালিৰ সমান
গণিবনোৱাৰা তেওঁৰ সন্তানবিলাক উ-পন্ন হল।
১৩বিশ্বাসক নিজৰ মনত ৰাখি যিবিলাক মৰিল, যি
বস্তুবোৰৰ প্ৰতিজ্ঞা দিয়া হৈছিল, তেওঁবিলাকে সেই
বস্তুবোৰ নাপালে। তেওঁবিলাকে দূৰৈতে সেইবোৰক
দেখা পাই আদৰনি জনালে আৰু এইটো স্বীকাৰ কৰিলে
যে তেওঁলোক পৃথিৱীত বিদেশী আৰু প্ৰবাসী মাত্ৰ।
১৪যিবিলাকে এনে কথাবোৰ কয়, তেওঁবিলাকে যে এনে
এখন দেশলৈ যাত্ৰা কৰিছিল যিখন দেশ তেওঁলোকৰ নিজৰ
হয়। ১৫যদি তেওঁলোকে সেই দেশৰ বিষয়ে ভাৱিলে হয়
যিখন তেওঁলোকে এৰি আহিলে তেন্তে তালৈ পুনৰ ঘুৰি
অহাৰ সম্ভৱনা আছিল। ১৬কিন্তু তেওঁলোক স্বৰ্গৰ এখন
দেশৰ আকাংক্ষা আছিল। এইকাৰণে ঈশ্বৰক তেওঁলোকৰ
ঈশ্বৰ বুলি কবলৈ সংকোচ নহয় কিয়নো তেওঁ তেওঁলোকৰ
কাৰণে এখন নগৰ তৈয়াৰ কৰি থৈছে।
১৭বিশ্বাসৰ কাৰণেই আব্ৰাহামে যেতিয়া ঈশ্বৰে তেওঁৰ
পৰীক্ষা লৈ আছিল, ইচাহাকক বলি উৎসৰ্গ কৰিছিল। সেই
যি জনক প্ৰতিজ্ঞাৰে প্ৰাপ্তি হৈছিল, নিজৰ একমাত্ৰ পুত্ৰক
যেতিয়া বলি উৎসৰ্গ কৰিবলৈ লৈছিল। ১৮যদিও ঈশ্বৰে
তেওঁক কৈছিল যে, “ইচাহাকৰ দ্বাৰা তোমাৰ বংশ বৃদ্ধি
হব।” ১৯কিন্তু আব্ৰাহামে ভাৱিলে যে ঈশ্বৰে মৰা বিলাককো
জীয়াব পাৰে আৰু যদি অন্য ভাষাৰে কোৱা যায় তেনেহলে
তেওঁ ইচাহাকক মৃত্যুৰ পৰা পুনৰায় ঘুৰাই পালে।
২০বিশ্বাসৰ কাৰণেই ইচাহাকে যাকোব আৰু এচৌক
তেওঁলোকৰ ভাৱী বিষয়ৰ ওপৰত আৰ্শীবাদ দিলে।
২১বিশ্বাসৰ কাৰণেই যাকোৱে, যেতিয়া তেওঁ মৰণৰ কালত
যোচেফৰ পুত্ৰ বিলাকক আৰ্শীবাদ দিলে আৰু নিজৰ লাখুটিৰ
মূৰৰ ওপৰত ভৰ দি ঈশ্বৰৰ ভজনাও কৰিলে।
২২বিশ্বাসৰ কাৰণেই যোচেফে যেতিয়া তেওঁৰ অন্তিম
কালত ইস্ৰায়েল নিবাসীবিলাকক মিচৰৰ পৰা ওলাই যোৱাৰ
বিষয়ে কলে তথা নিজৰ অস্হিৰ বিষয়ে আদেশ দিলে।
২৩বিশ্বাসৰ আধাৰতেই, মোচিৰ পিতৃ-মাতৃয়ে, মোচিক
জন্মৰ পাছতেই তেওঁক তিনি মাহলৈকে লুকুৱাই ৰাখিলে
কিয়নো তেওঁলোকে গম পাইছিল যে তেওঁ কোনো
সামান্য সন্তান নাছিল আৰু তেওঁলোকে ৰজাৰ আজ্ঞাক
ভয় নকৰিলে।
২৪বিশ্বাসৰ দ্বাৰাই মোচিয়ে যেতিয়া ডাঙৰ হল তেতিয়া
তেওঁ ফৰৌণৰ জীয়েকৰ পুত্ৰ বুলি প্ৰখ্যাত হবলৈ অস্বীকাৰ
কৰিলে। ২৫তেওঁপাপৰ ক্ষনিক সুখ ভোগ কৰাতকৈ ঈশ্বৰৰ
লোকৰ লগত দুখ-ভোগ কৰাৰে মনোনীত কৰিলে। ২৬তেওঁ
খ্ৰীষ্টৰ কাৰণে অপমান ভোগ কৰিবলৈ মিচৰৰ সকলো
সম্পত্তিতকৈ অধিক মূল্যৱান বুলি ভাৱিলে কিয়নো তেওঁ
নিজৰ প্ৰতিফল পাবলৈ বাট চাই আছিল।
২৭বিশ্বাসৰ কাৰণে, ৰজাৰ কোপক ভয় নকৰি তেওঁ
মিচৰ পৰিত্যাগ কৰিলে: তেওঁ থিৰে থাকিল। অদৃশ্য জনক
দেখা পোৱাৰ দৰে। ২৮বিশ্বাসৰ কাৰণেই তেওঁ নিস্তাৰ পৰ্ব
আৰু তেজ ছটিওৱা কাৰ্য্য পালন কৰিলে, যাতে প্ৰথমা
সন্তানবিলাকৰ বিনাশ কৰা জনাই, ইস্ৰায়েলৰ প্ৰথমা সন্তানক
স্পৰ্শ কৰিব নোৱাৰে।
২৯বিশ্বাসৰ কাৰণেই, লোকবিলাকে লোহিত সাগৰ
এনেকৈ পাৰ কৰিলে যেনে শুকান মাটিয়েদি যোৱাৰ দৰে,
কিন্তু যেতিয়া মিচৰৰ লোক বিলাকে এনে চেষ্টা কৰাত
তেওঁবিলাক ডুবি মৰিল।
৩০বিশ্বাসৰ কাৰণেই, যিৰিহো নগৰৰ চোৰাংচোৱাবিলাকে
সাত দিনলৈকে তাৰ চাৰিওফালে প্ৰদক্ষীন কৰাৰ পাছত
গড়বোৰ খহি পৰিল।
৩১বিশ্বাসৰ কাৰণেই ৰাহাব বেশ্যাই আজ্ঞা নমনাবিলাকৰ
লগত নমৰিল কিয়নো তেওঁ চোৰাংচোৱাবিলাক সেৱা
সুশ্ৰূষা কৰিছিল।
৩২এতিয়া মই অধিক কি কম। গিদিয়োণ, বাৰাক,
চিমচোন, যিপ্তহ, দায়ুদ, চমূৱেল আৰু ভাৱবাদীবিলাকৰ
বিষয়ে আলোচনা কৰিবলৈ মোৰ সময় নাই। ৩৩যিবিলাকে
বিশ্বাসেৰে, ৰাজ্যবোৰ জয় কৰিলে, ধাৰ্মিকতাৰ কাৰ্য্য
কৰিলে আৰু ঈশ্বৰে যি দিবলৈ প্ৰতিজ্ঞা কৰিছিল সেয়া
প্ৰাপ্ত কৰিলে। যিবিলাকে সিংহৰ মূখ বন্ধ কৰিলে। ৩৪অগ্নিৰ
শিখাক নুমুৱালে, তৰোৱালৰ মূখৰ পৰা হাত সাৰিলে।
যিবিলাকৰ দুৰ্বলতাই শক্তিলৈ ৰূপান্তৰিত হল, আৰু যুদ্ধত
যিবিলাক শক্তিশালী হৈ গৈছিল বিদেশী সৈন্যবোৰক
ছেদেলি-ভেদেলি কৰি পেলালে। ৩৫তিৰোতাবিলাকে
নিজ নিজ মৃতবিলাকক পুনৰাই জীৱিত পালে। বহুতো
লোকক ক্লেশ বিহা হল কিন্তু তেওঁলোকে পুনৰুত্থান দ্বাৰা
মুক্তি পাবলৈ অগ্ৰাহ্য কৰি দিলে, যাতে তেওঁলোকে এটা
আৰু ভাল জীৱনত পুনৰুত্থান পাব পাৰে। ৩৬কিছুমানক
বিদ্ৰূপ, আৰু চাবুকৰ কোব, তথা কিছুমানক শিকলিৰে
বান্ধি বন্দীগৃহত পেলাই দিয়া হল। ৩৭কিছুমানক শিলগুটি
দলিউৱা হল, কৰতেৰে ফলা হল, তৰোৱালেৰে বধ কৰা
হল, যিবিলাক দুখীয়া আছিল সিহঁতক ক্লেশ, অত্যাচাৰ
কৰা হল, তেওঁলোকে মেৰ আৰু ছাগৰ ছাল পিন্ধি ফুৰিছিল
৩৮এই জগত তেওঁলোকৰ বাবে যোগ্য নাছিল। তেওঁলোকে
নিৰ্জন ঠাই, পৰ্ব্বতবোৰত ঘুৰি গুহাবোৰত আৰু পৃথিৱীৰ
গহ্বৰত লুকাই লুকাই ফুৰিছিল।
৩৯নিজৰ বিশ্বাসৰ কাৰণেই তেওঁলোকক ৰক্ষা কৰা হল।
তথাপিও ঈশ্বৰৰ যি মহান প্ৰতিজ্ঞা তেওঁলোকক দিয়া
হৈছিল, তাক তেওঁলোকৰ কোনেও পাব নোৱাৰিলে।
৪০ঈশ্বৰৰ ওচৰত নিজৰ পৰিকল্পনাৰ অনুসাৰে আমাৰ
কাৰণে কিছু অলপ অধিক আছিল যিহৰ দ্বাৰা তেওঁলোককো
আমাৰে সৈতেই সম্পূৰ্ণ সিদ্ধ হৈ যাওক।

## ঈশ্বৰে নিজ পুত্ৰবিলাকক শিকায়

১২ ১কিয়নো আমি ইমান সাক্ষীৰে বেৰা খাই আছোঁ,
যি সকলে আমাৰ বিশ্বাসৰ ৰ্থ কি তাৰ সাক্ষ্য দি
আছে। তেকে আহাঁ বাধা দি থকা সকলো বস্তক আৰু
আমাক লগ ধৰা থিখা সকলো পাপক দূৰ কৰি যি দৌৰ
আমাৰ আগত আছে, আহাঁ ধৈৰ্য্যৰে তাত দৌৰোঁহঁক।

২আমাৰ বিশ্বাসৰ আদি আৰু সম্পূৰ্ণ সিদ্ধ কৰিব পৰা যীচুলৈ
আঁহা চাই থাকোঁহক। যি নিজৰ আগত থকা আনন্দৰ
নিমিত্তে ক্ৰুচীয় যাতনা ভোগ কৰিলে, তেওঁ নিজৰ
অপমানক হেয়জ্ঞান কৰি ঈশ্বৰৰ সিংহাসনৰ সোঁফালে
বিৰাজমান হল। ৩তেওঁলৈ মনোযোগ কৰা যি পাপীবিলাকৰ
বিৰুদ্ধাচৰণ এইকাৰণেই সহন কৰিলে যাতে ভাগৰুৱা হৈ
তোমালোকৰ মন ক্লান্ত হৈ নাযাওক।

### ঈশ্বৰ, পিতৃৰ সমতুল্য

৪পাপৰ বিৰুদ্ধে নিজৰ নিজৰ সংঘৰ্ষত তোমালোকক
ইমান প্ৰতিৰোধ কৰিব লগীয়া হোৱা নাই যাৰ বাবে তেজ
বোৱাবলগীয়া হৈছে। ৫তোমালোকে সেই সাহিয়াল বাক্য
পাহৰি গৈছা। তোমালোকক পুত্ৰ বুলি তোমালোকৰ লগত
সমন্বিত আছে:

“হে মোৰ পুত্ৰ, প্ৰভুৰ শাসনক হেয়জ্ঞান নকৰিবা,
তেওঁৰ অনুযোগক কেতিয়াও বেয়া বুলি নাভাৰিবা,
৬ কিয়নো প্ৰভুৱে তেওঁকেই শাস্তি দিয়ে যাক তেওঁ
প্ৰেম কৰে।
তেনেদৰেই যেনেকৈ পিতৃয়ে নিজ পুত্ৰক
কোবায়, যিবিলাক তেওঁৰ অতি প্ৰিয়।”

*হিতোপদেশ ৩:১১–২*

৭কঠিনতাক অনুশাসন ৰুপে সহন কৰা। ঈশ্বৰে
তোমালোকৰ লগত নিজৰ পুত্ৰৰ দৰে ব্যৱহাৰ কৰে। এনে
কোন পুত্ৰ আছে যি পিতৃৰ পৰা শাস্তি পোৱা নাই? ৮যদি
তোমালোকক তেনে তাড়না দিয়া হোৱা নাই যেনেকৈ
সকলোকে দিয়া হয় তেনেহলে তোমালোক পিতৃৰ পুত্ৰ
নোহোৱা আৰু প্ৰকৃত পুত্ৰ নোহোৱা। ৯আকৌ ইয়াৰ
বাহিৰেও এই বিলাকক পিতৃয়েও যি আমাৰ শৰীৰক জন্ম
দিছে, আমাক তাড়নাও দিয়ে। আৰু ইয়াৰ কাৰণে আমি
তেওঁক সমাদৰ কৰোঁ, তেনেহলে আমি নিজৰ আত্মাৰ
পিতৃৰ অনুশাসনৰ অধীনত বশীভূত হৈ জীৱন ধাৰণ
কৰিব লাগে। ১০আমাৰ পিতৃবিলাকে অলপ সময়ৰ কাৰণে
যেনেকৈ তেওঁলোকে উত্তম ভাৱিছিলে, আমাক শাস্তি
দিলে, কিন্তু ঈশ্বৰে আমাক আমাৰ হিতৰ কাৰণে শাস্তি দিছে,
যাতে আমি তেওঁৰ পবিত্ৰতাত ভাগী হব পাৰোঁ। ১১যি সময়ত
শাস্তি বিহি থকা হয়, সেই সময়ত আনন্দ নালাগে, কিন্তু
দুখ লাগে, কিন্তু যিয়েই নহওক, যিবিলাকে তেওঁৰ শাস্তিৰ
অনুভৱ কৰে, তেওঁলোকৰ নিমিত্তে আগলৈ গৈ ধাৰ্মিকতা
আৰু শান্তিযুক্ত ফল প্ৰদান কৰে।

### সাৱধানবাণী: ঈশ্বৰক অস্বীকাৰ নকৰিবা

১২এইকাৰণে নিজৰ নিজৰ দুৰ্বল হাত আৰু জঠৰ আঠু পোন
কৰা। ১৩নিজৰ ভৰিৰ কাৰণে সমতল পথ নিৰ্ম্মান কৰা।যাতে
খোৰাই যেন বিপথগামী নহয় কিন্তু সুস্হ হৈ যায়।
১৪সকলোৰে সৈতে শান্তিৰে থাকিবলৈ আৰু পবিত্ৰ হবলৈ
সকলোধৰণৰ চেষ্টা কৰি থাকা: বিনা পবিত্ৰতাৰে কোনেও
প্ৰভুৰ দৰ্শন কৰিব নোৱাৰে। ১৫এই কথা মনত ৰাখিবা যে
ঈশ্বৰৰ অনুগ্ৰহৰ পৰা যেন কোনেও বিমুখ হৈ নাযাওক আৰু
তোমালোকক কষ্ট দিয়াই আৰু বস্তুবোৰ বিকৃত কৰিবলৈ
দন্দ-কাজিয়াৰ সৃষ্টি নহওক। ১৬চোৱা, কোনেও ব্যাবিচাৰ
নকৰক, বা সেই এচৌৰ সমান ঈশ্বৰবিহীন নহওক যি ডাঙৰ
পুত্ৰ হোৱা হেতুকে উত্তৰাধিকাৰৰ পোৱাৰ যোগ্য আছিল
কিন্তু এসাজ আহাৰৰ নিমিত্তে নিজ জ্যেষ্ঠাধিকাৰ বেচি
দিলে। ১৭কিয়নো তোমালোকে জানা যে যেতিয়া তেওঁ এই
আৰ্শীবাদৰ অধিকাৰী হবলৈ বিছাৰিলে কিন্তু তেওঁ অগ্ৰাহ্য
হল। যদিও তেওঁ কান্দি কান্দি আৰ্শীবাদ পাবলৈ বিছাৰিলে
কিন্তু তেওঁ নিজৰ মনপালটাবলৈ ঠাই নাপালে।

১৮তোমালোকে অগ্নিৰে জ্বলি থকা এই পৰ্বতৰ ওচৰলৈ
অহা নাই, যিটো লুকুৱাব পৰা গৈছিল আৰু আন্ধাৰৰ
ধুমূহা আৰু কলা বৰণীয়া মেঘৰ ওচৰলৈও অহা নাই।
১৯আৰু তূৰীৰ ধ্বনি অথবা কোনো শব্দৰ সম্পৰ্কত
আহিছা যি বাক্যৰ উচ্চাৰণ কৰি আছে, যিবিলাকে শুনিলে
তেওঁবিলাকে প্ৰাৰ্থনা কৰিলে যে তেওঁলোকৰ কাৰণে
যাতে আৰু কোনো বাক্যৰ কোৱা নহয়। ২০কিয়নো যি
আদেশ দিয়া হৈছিল, তেওঁলোকে সেইটো সহন কৰিব
নোৱাৰিলে: “যদি কোনো পশুৱেও সেই পৰ্বতক স্পৰ্শ
কৰে, তেন্তে তাক শিল দলিয়াই মৰা হব।”[a] ২১সেই দৃশ্য
ইমানেই ভয়ঙ্কৰ আছিল যে মোচিয়ে কলে, “মই বৰ ভয়
পাই কঁপি আছোঁ।”[b,c]

২২কিন্তু তোমালোকে চিয়োন পৰ্ব্বত, জীৱনময় ঈশ্বৰৰ
নগৰত, স্বৰ্গৰ যিৰুচালেমৰ ওচৰলৈ আহিছা। তোমালোকে
হাজাৰ হাজাৰ স্বৰ্গদূতবিলাকৰ আনন্দৰ সভাত ২৩ঈশ্বৰে
প্ৰথমে সন্তানবিলাকৰ, যিবিলাকৰ নাম স্বৰ্গত লিখা আছে,
তেওঁবিলাকৰ সভাৰ ওচৰলৈ আহিছা। তোমালোকে
সকলোৰে বিচাৰকৰ্ত্তা ঈশ্বৰৰ আৰু ধাৰ্মিকবিলাকৰ, সিদ্ধ
পুৰুষবিলাকৰ আত্মাবোৰৰ, ২৪আৰু এক নতুন নিয়মৰ
মধ্যস্হ যীচু আৰু চটিওৱা সেই তেজৰ ওচৰলৈ আহিছা
যি হেবেলৰ তেজতকৈ উত্তম কথা কয়।

২৫মনত ৰাখিবা! যে তোমালোকে কওঁতাজনক
অগ্ৰাহ্য নকৰিবা। যদি তেওঁলোকে তেওঁক অগ্ৰাহ্য কৰি
সাৰিব নোৱাৰিলে যি জনে পৃথিৱীত আদেশ দিছিল, যদি
তেওঁৰ পৰা আমি বিমুখ হওঁ যি স্বৰ্গৰ পৰা আদেশ দি
আছে তেনেহলে আমি কোনোপধ্যই দণ্ড নোপোৱাকৈ
নাথাকিম। ২৬তেওঁৰ বাণীয়ে সেই সময়ত পৃথিৱীক লৰাই
দিছিল, কিন্তু এতিয়া তেওঁ প্ৰতিজ্ঞা কৰিছে, “এবাৰ আকৌ
পৃথিৱীকেই নহয় কিন্তু আকাশকো লৰাম” ২৭“আৰু এবাৰ”
এই শব্দই সেই সকলো বস্তুৰবিলাকৰ ফালে সংকেত

[a] **১২:২০** উদ্ধৃতি যাত্ৰাপুস্তক ১৯:১২–১৩
[b] **১২:২১** উদ্ধৃতি দ্বিতীয় বিৱৰণ ৯:১৯
[c] **১২:১৮-২১** এই পদবোৰত সেই কথাবোৰৰ ব্যাখ্যা কৰা হৈছে যিবোৰ ইস্ৰায়েল বিলাকৰ সৈতে মোচিৰ সময়ত ঘটিছিল। ইয়াৰ বিৱৰণ যাত্ৰাপুস্তক ১৯ তো পোৱা যায়।

কৰিছে যিবোৰ সৃষ্টি কৰা হৈছে (এই বস্তুবোৰ যিবিলাক
অস্হিৰ আছে) সেইবোৰ নষ্ট হৈ যাব। কেৱল অলৰ
বস্তুবোৰহে থাকিব।
২৮সেয়ে: যেতিয়া আমি এনে এখন ৰাজ্য প্ৰাপ্ত হৈ আছে,
যি কেতিয়াও লৰোৱা নহব, তেনেহলে আঁহা আমি ধন্যবাদ
কৰোঁহক আৰু আদৰযুক্ত ভয়েৰে সৈতে ঈশ্বৰৰ আৰাধনা
কৰোঁহক। ২৯কিয়নো আমাৰ ঈশ্বৰ গ্ৰাসকাৰী অগ্নিস্বৰুপ।

## সাৰাংশ

**১৩** ১ভাতৃৰ প্ৰেমৰ সমান পৰস্পৰে প্ৰেম কৰি
থাকা। ২অতিথি সেৱা কৰিবলৈ নাপাহৰিবা,
কিয়নো এনে কৰাৰ দ্বাৰাই কোনো কোনোৱে নাজানি
স্বৰ্গদূতবিলাককেই আলহী সুধিলে। ৩বন্দীয়াৰ বিলাকৰ
সৈতে এনে ব্যৱহাৰ কৰা যেন তোমালোকেও তেওঁলোকৰ
সৈতে একে বন্দীয়াৰ। অত্যাচাৰ পোৱাবিলাকৰ লগত
নিজেও অত্যাচাৰ ভোগ কৰাৰ দৰে ব্যৱহাৰ কৰা।
৪বিবাহক সকলোৱে আদৰ কৰিব লাগে। বিবাহৰ
শৰ্য্যা শুচি হওক। কিয়নো ঈশ্বৰে ব্যাভিচাৰী আৰু
দুৰাচাৰীবিলাকক দণ্ড দিব। ৫নিজৰ জীৱনক ধনৰ লোভৰ
পৰা বিৰত ৰাখা। যি তোমালোকৰ যি আছে তাতেই সন্তুষ্ট
হৈ থাকা কিয়নো ঈশ্বৰে কৈছে:

"মই তোমাক কেতিয়াও নেৰিম,
কেতিয়াও ত্যাগ নকৰিম।" *দ্বিতীয় বিৱৰণ ৩১:৬*

৬এইকাৰণে আমি বিশ্বাসেৰে কব পাৰোঁ যে:

"প্ৰভু মোৰ সহায়কৰ্ত্তা,
মই কেতিয়াও ভয় নকৰিম।
মানুহে মোক কি কৰিব পাৰে?" *গীতমালা ১১৮:৬*

৭তোমালোকৰ পথদৰ্শক সকলক সোঁৱৰণ কৰিবা
যিবিলাকে তোমালোকক ঈশ্বৰৰ বাক্য কৈ গল।
তেওঁবিলাকৰ জীৱনৰ আচৰণৰ শেষগতিৰ পৰিণাম চাই
চিন্তি তেওঁবিলাকৰ বিশ্বাসৰ অনুকৰণ কৰা। ৮যীচু খ্ৰীষ্ট
কালিও তেনেকৈয়ে আছে যেনেকৈ আজিও আছে আৰু
সদাকাললৈকে একে হৈ থাকিব। ৯কোনো ধৰণৰ নতুন
কথাত ভ্ৰান্ত হৈ বিপথে চালিত নহবা। তোমালোকৰ হৃদয়ৰ
কাৰণে এইটো হিতজনক যে সেইবোৰ অনুগ্ৰহৰ দ্বাৰা সুদৃঢ়
হওক, কেৱল মাত্ৰ খোৱা বোৱা সমন্ধীয় নিয়ম নীতি পালন
কৰি নহয়, তেওঁলোকৰ একো হিতকাৰী নহল, যিহক
তেওঁলোকে পালন কৰিলে।
১০আমাৰ ওচৰত এনে এক বেদী আছে যি বেদীত
খাবলৈ তম্বুত আৰাধনা কৰা বিলাকৰ অধিকাৰ নাই।
১১মহাপুৰোহিতে পৰম পবিত্ৰ স্হানত পাপ-বলি ৰুপে পশুৰ
তেজ লৈ যায়, কিন্তু সেইবিলাকৰ শৰীৰ ছাউনিৰ বাহিৰত
পুৰি দিয়া হয়। ১২এইকাৰণে যীচুৱে নিজে নিজৰ তেজেৰে
লোকবিলাকক পবিত্ৰ কৰিবৰ অৰ্থে নগৰৰ দুৱাৰৰ বাহিৰত
যাতনা ভোগ কৰিলে। ১৩তেনেহলে আঁহা আমিও এই
অপমানক ভোগ কৰি যিবোৰ তেওঁ ভোগ কৰিলে, ছাউনিৰ
বাহিৰলৈ তেওঁৰ ওচৰলৈ যাওঁহক। ১৪কিয়নো ইয়াত আমাৰ
কোনো স্হায়ী নগৰ নাই, কিন্তু আমি সেই নগৰলৈ বাট
চাই আছোঁ যি আহিবলগীয়া আছে। ১৫সেয়: আঁহা আমি
যীচুৰ দ্বাৰা ঈশ্বৰৰ স্তুতিৰুপী বলি অৰ্পন কৰোঁ, তেওঁৰ নাম
স্বীকাৰকাৰী ওঠৰ ফল। ১৬অৰ্থাৎ উপকাৰ কৰা আৰু নিজৰ
বস্তুবোৰক আনবিলাকৰে সৈতে ভগাবলৈ নাপাহৰিবা।
কিয়নো ঈশ্বৰে এনে বলিবিলাকৰে সন্তুষ্ট হয়।
১৭নিজৰ পথদৰ্শক বিলাকৰ আজ্ঞা পালন কৰিবা।
তেওঁলোকৰ অধীনত থাকা।তেওঁবিলাকে তোমালোকৰ
ওপৰত এনে দৃষ্টি ৰাখে যেনকৈ সেই মানুহ বিলাকত ৰখা
হয় যিবিলাকে নিজৰ হিচাপ-নিকাজ তেওঁবিলাকক দিবলৈ
থাকে। তেওঁলোকৰ আজ্ঞা পালন কৰা যিহৰে তেওঁবিলাকৰ
কৰ্ম্ম আনন্দ কৰিব। কোনো বোজাৰ স্বৰুপ নহয়। কিয়নো
তাৰে তোমাৰ একো লাভ নহয়।
১৮আমাৰ কাৰণে প্ৰাৰ্থনা কৰি থাকিবা। আমাৰ নিশ্চয়তা
আছে যে আমাৰ বিবেক শুদ্ধ। আৰু আমি সকলো প্ৰকাৰে
সেইয়াই কৰিব বিচাৰিছোঁ যি উচিত। ১৯মই বিশেষ ভাৱে
আগ্ৰহ কৰিছোঁ যে তোমালোকে প্ৰাৰ্থনা কৰা যাতে শীঘ্ৰেই
মই তোমালোকৰ তাত উপস্হিত হব পাৰোঁ।
২০যি জনা মেৰ বিলাকৰ সেই মহান ৰক্ষক আমাৰ
প্ৰভু যীচু খ্ৰীষ্টৰ তেজৰ দ্বাৰা সেই অনন্তকালৰ প্ৰতিজ্ঞাত
মোহৰ লগাই মৃতবিলাকৰ মাজৰ পৰা পুনৰায় তুলিলে,
তেওঁ শান্তিৰ আকৰ ঈশ্বৰ। ২১তোমালোকক সকলো
উত্তম বিষয়ত সম্পন্ন কৰক। যাতে তোমালোকে তেওঁৰ
যি ইচ্ছা তাক পূৰ্ণ কৰিব পাৰা। আৰু যীচু খ্ৰীষ্টৰ দ্বাৰা তেওঁ
আমাৰ অন্তৰত সকলো সম্পন্ন কৰক যিবোৰ তেওঁৰ
সন্তোষজনক। যুদ-যুগান্তৰলৈ তেওঁৰেই মহিমা হওঁক।
আমেন!
২২হে ভাইবিলাক মোৰ আগ্ৰহ যে তোমালোকক প্ৰেৰণা
দিয়া মোৰ এই বাক্যক ধাৰণ কৰা মই তোমালোকক এই
পত্ৰ সংক্ষিপ্তকৈ লিখিলোঁ। ২৩মই বিচাৰোঁ যে তোমালোকে
জানা যে আমাৰ ভাই তীমথিক মুকলি কৰি দিয়া হল।
যদি তেওঁ সোনকালে আহে তেন্তে মই তেওঁৰে সৈতে
তোমালোকৰ ওচৰলৈ যাম।
২৪নিজৰ সকলো উদ্যোগী আৰু পবিত্ৰ লোকক মঙ্গবাদ
দিবা।ইটালীৰ পৰা অহা লোকে তোমালোকক মঙ্গবাদ
কৰিছে।
২৫ঈশ্বৰৰ অনুগ্ৰহ তোমালোকৰ সকলোৰে লগত থাকক!